# বেদনাৰ উল্কা



অম্বিকাগিৰি ৰায়চৌধুৰী

উল্কা যি, সি উল্কাই,—বেদনাৰে হওক বা নিৰ্বেদনাৰেই হওক। তাত জুই-ছাই দুয়োটা থাকে। কিন্তু উত্তাপ দুয়োটাই বহন কৰে। যি প্ৰাণৱন্ত তাৰ গাত উত্তাপৰ চেঙা লাগিব,—যি অপ্ৰাণৱন্ত, তাক তো সকলোৱে খালা-নালা, বাট-ঘাট, সকলোতে দেখিয়েই আছোঁ।

লিখা বিলাক বিষয় আৰু সময়ৰ স্তৱকত সজাই দিয়া হোৱা নাই। উল্কা কোনো স্তৱক গাথি নপৰে। ভিতৰৰ শক্তি-উহ আৰু বাহিৰৰ বা-মাৰলিয়ে তাৰ গতি-স্থিতি নিৰ্ণয় কৰে। চিটিছন হ'ই পৰি থকা লিখা বিলাক বুটলি কোচাই যেনে-তেনেকৈ দিয়া হ'ল। প্ৰাণৱন্ত পাঠক সকলে তেওঁলোকৰ নিজ নিজ ৰসগত মনেৰে সজাই-গোছাই অৱশ্যে পঢ়িব বুলি আশা কৰিছোঁ।

অনুগ্ৰহ কৰি পুথিখনৰ শেষ পৃষ্ঠাত দিয়া শুদ্ধিপত্ৰখন চাই পঢ়ে যেন।

শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী

COTTON COLLEGE LIBRARY, GAUHATI.

# কি কৱিতা লিখোঁ মই

কি কৱিতা লিখোঁ মই ?—
সান্ত্বনা লওঁ কাক কি ক'ই ?—
মোৰ—মুখৰ মাতত, পেটৰ ভাতত,
ওঁঠৰ হাঁহিত, চকুৰ পানীত,
সোণ-মুঞ্জৰা পথাৰ-খেতিত,
প্ৰাণ গুঞ্জৰা ঘৰৰ ভেটিত,
বেচা-কিনাৰ বজাৰ-হাটত,
জীয়াৰ সমল শ্ৰমৰ ঘামত,
ফুট্ দি উঠিব খুজিছিল যিটো কৱিতাৰ মৌ কলি,
নানান বৰণি ৰূপ-ৰসেৰে ৰঞ্জি আমোলমলি;—
তাৰ—সুষমা মুকলি নৌ-হওঁতেই
সুৰভি-সফুৰা নৌ-খোলোঁতেই
চিৰাচিৰ কৰা ধুমুহা-দানৱে পেলালে দগৰি দলি,—
মোৰ—উঠিল বুকুত দপদপকৈ হায়! হায়! জুই জ্বলি—
কি কৱিতা লিখোঁ মই ?—
সান্ত্বনা লওঁ কাক কি ক'ই ?—
দাৰুণ জ্বলন চেৰাই যেনিবা
লিখিলোঁৱেই কিবা কৱিতা বুলি,—
তাক—থ'মেই বা ক'ত? ল'বই বা কোনে?
ক'তে বা ৰ'ব কি ঠেৰেৰে ফুলি ?—
কৱিতা ৰসৰ আমেজত মজা
মজগুল জ্ঞানী যিসকল,

সিসকলে তাক নকৰ কৰিতা, –
ভাবি দিব বুলি দাবানল; –
হয়, – দাবানলে সঁচা জ্বলিছে বুকত
কলিজাটো পুৰি কৰি ছাই, –
উল্কা উজ্বৰা জিভা মেলি তাৰ
ক'লৈ নিৰখি, – লক্‌লকাই – লক্‌লকাই –
উঃ কি জ্বলন! – জ্বলিছে কেৱল
প্ৰলয় উতলা শিখাৰে সি, –
কাকে বা সুধিম, কোনে ক'ই দিব,
ৰক্ষাৰ আজি উপায় কি?
নেদেখোঁ দেখোন খেৰ-কুটা একো
আলম বুলি বা ধৰিম ক'ত? –
মানৱাকৃতি চেঁচা শিল গুটি
দ'ম লাগি আছে, – জড়-ভৰত –
মোৰ বুকুতেই দেশৰ বুকুকো
একেগঁথা কৰি জ্বলিছে জুই,
নুমাওঁতা নাই, – নুমাওঁতা নাই –
– দেশময় আছে নিচালে শুই, –
যাৰ দেশ–জাতি, ঘৰ-ভেটি-মাটি
সি যদি নাজাগে চেতনা ল'ই,
এই দাবানল নুমাবলৈ, –
দেশও জ্বলিব, জাতিও জ্বলিব,
চিন-ছাৰ্-নাম সকলো জ্বলিব, –
ময়ো জ্বলি যাম ভস্ম হ'ই –
কি কৰিতা লিখোঁ মই?
সান্তনা লওঁ কাক কি ক'ই? ইং ১৯৬৪

১৯৬৪ এই চনৰ ২৩ মাৰ্চত গুৱাহাটী ৰেডিওত গোৱা।

# কামেই জীৱন

কামেই ধৰ্ম্ম, কামেই জীৱন,
কামেই কৱিতা, শিল্প, কলা,
কাম বিহনে জীৱন-জেউতি
ৰস-ৰূপ-গোন্ধ-শূন্য,—সোলা।
কামৰ ফিৰিঙতিত যিটো
জ্বলে আলোক-শিখাৰ ঢ'উ,
জাতিস্কাৰ হ'ই তাতহে জমে
জীৱন-জেউতি অমিয় ম'উ।
সৃষ্টিকৰ্ত্তা নিজেই কামত
ব্যস্ত থাকে বিৰাম নাই,—
সেইবাবে জোন তৰাৰ হাঁহিত
সুষমা ফুটে স্পৰ্শ পাই।
পখি-কণ্ঠত নদীৰ বুকত
বাজে ইমান মধুৰ গান—
নীলিমত হাঁহে মেঘ-লহৰী
ধৰাত আকুল প্ৰাণ

আষাঢ় ইং ১৯২০

* এই কৱিতাটো শেৱালী কৱি ৰবকাকতিৰ সেই সময়ৰ "কিয়" নামৰ কৱিতাটোৰ উত্তৰত লিখা হ'ইছিল।

# কৰ্ম্ম-গীতিকা

( এই গীতটো ইং ১৯৫৭ চনতে লিখা। ইং ১৯৫৮ চনত গুৱাহাটীত বিশ্ব-পতাকা উত্তোলনত আৰু সেই চনতে গুৱাহাটী ৰেডিও কেন্দ্ৰৰ ষ্টেছন ডাইৰেক্টৰ শ্ৰীনাটেছৰ পৰিচালনাত চুড়্মাৰ্চন হলত অনুষ্ঠিত কৰি সম্মিলত গোৱা হ'ইছিল। আজি সমগ্ৰ পৃথিৱীত মাটি, পানী, বায়ু, আকাশ, আলোক, আন্ধাৰ লঙ্ঘি মানৱ জগতৰ প্ৰচণ্ড কৰ্ম্ম প্ৰৱাহ সৌৰ-জগত ধিয়াই আগবঢ়া বিজুলী গতিৰ মুখত জীৱনৰ সহাৰি দি আমাৰ স্বাধীন স্বত্ব ল'ই দেশত আমি জী থাকিবলৈ হলে, এই অসীম-মুখী কৰ্ম্ম-প্ৰৱাহৰ সহযোগী হ'ই আমিও উদ্যমেৰে আগ বাঢ়িব লাগিব। নহলে, ইয়াৰ প্ৰচণ্ডতাৰ সংঘৰ্ষণত আমি পুৰি ছাই হ'ই শেষ হ'ম। দেশও যাব, জাতিও যাব। এই কৰ্ম্ম-তত্ব দেশবাসীৰ মনত সক্ৰিয়তাৰে উপলব্ধি কৰোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ইয়াক পুথিৰ আকাৰত প্ৰকাশ কৰা হ'ল। ইয়াৰ আগতে 'মণিদীপ'ত প্ৰকাশ হ'ইছে।

গীতটোৰ সুৰটোও কৰ্ম্মমুখী। কোনোবা কৃতী সুৰ-শিল্পীয়ে ইয়াক আয়ত্ব কৰি বাইজক পৰিৱেশন কৰিবলৈ আগবাঢ়িলে কৃতাৰ্থ হম। —ৰচক—।

কৰ কৰ কাম, ধৰ ধৰ কাম,—কেৱল কাম কেৱল কাম,—
কামৰ সোঁতত ৰাখ নিমগন দেহ-মন-প্ৰাণ অবিৰাম,—
সোণ-সোৱাদত ভৰাই তেহে
শুকান হাড়াল মনে-দেহে
জীৱন-ৰসৰ প্ৰাচুৰ্য্যেৰে হ'ই উঠিবি শক্তিমান,
দৈন্যতা-দাৰিদ্ৰ্য নাশি দেশ হব সুখ শান্তিধাম,—
শুকানখিনি জিপাল হব, জী উঠিব মৰা-হাড়,
অমৃত-ৰস ভৰি পৰি জীৱন হব জাতিস্কাৰ,—
কৰ কৰ, কৰ, কেৱল কাম,
দেশ কৰি তোল শক্তিধাম।

তোল তোল তোল উচ্ছ্বলি তোল, কেৱল কামৰ হুলস্থুল,
জড়তাৰ তোৰ কৰাল ফালি উঠক ফুলি জীৱন-ফুল—
জীৱন-ফুলৰ পাহে পাহে অশেষ পৰিকল্পনাৰ
জয়-সৌৰভ মুঞ্জৰি ৰ'ক ৰঞ্জি জীয়াৰ চতুষ্পাৰ—
কৰ কৰ কাম, ধৰ ধৰ কাম, কেৱল কাম, কেৱল কাম
দেশক সোণৰ ফুল-ফলেৰে সজাই হ' তই ধন্যৱান—
কেৱল কাম, কেৱল কাম,—
নাই জিৰণি নাই বিৰাম।
মানৱতাক পিষ্ট কৰা দাসত্বটোৰ পাপৰ ভৰ
ওফৰাই দি স্বাধীন হলোঁ। নিজে চলাম নিজৰ ঘৰ,—
মানৱতাৰ পূৰ্ণ বিকাশ ঘটাম আমি আমাতেই,
ত্ৰিলোক জুৰি প্লাৱন তুলিম মানৱীয় জেউতিৰেই,—
কাম কৰ কৰ, কাম ধৰ ধৰ, কেৱল কাম, কেৱল কাম—
কেৱল কামত প্ৰাণ ঢালি দে—অবিৰাম অবিশ্ৰাম,—
কেৱল কাম, কেৱল কাম,
নাই জিৰণি, নাই বিৰাম।
পৰ-পীড়নত উষ্ণ-তেজৰ স্বাধীন-চলন মুৰ্চ্ছা গ'ই
অলস জঠৰতাত পৰি আছিল জীৱন পঙ্গু হ'ই,—
কৰ্ম্ম-কুশল ঐক্য-বলত পঙ্গুতা সেই আঁৰত হ'ল,
সিৰে সিৰে ব'ইছে আমাৰ স্বাধীন তেজৰ তপত-ধল,—
পৰি মৰি, মাৰ উঠি, জীৱন-মৰণ পণ কৰি,
মৰামুৰা দেশখনি তোৰ নদন-বদন কৰ গঢ়ি;—
কামত ধৰ কামত ধৰ—
জীৱনটো তোৰ সফল কৰ।

ৰক্ত-শোষক দানৱ-দলৰ তিক্ত-পীড়ন প্ৰাণান্তিক,
অস্ত পৰিল,—তোল গঢ়ি তোল জন্মভূমি স্বৰ্গাধিক,—
কামৰ আনন্দতেই হ' তই আত্মহাৰা উল্লাসিত,
তাতহে জীৱন দেশৰ স'তে হ'ই উঠিব সুখস্ফীত,—
ক্লেদ-জঞ্জাল উটি যাব জীৱন হব সুধাৰ-ফুল,
তুলুং ঠেওত ভাহি ফুৰা ধাতু হব গভীৰ-মূল,—
কামত ধৰ কামত ধৰ
জীৱনটো তোৰ মধুৰ কৰ!
এটাৰ পাছত আনটো ধৰি ফাঁকখিনিতে জিৰাই ল',
কামান্তৰত ভাগৰ মাৰি নতুন কামত সৰল হ',—
নিদ্ৰাবাদে সময়-খিনিত থাক কামতেই ওতপ্ৰোত,
কামৰ গতিত যতি পেলাই নোঘোলাবি কৰ্ম্ম-সোঁত,—
কামেই জীৱন, কামেই স্বৰ্গ, কামেই, শান্তি, কামেই সুখ,
কৰি তোল তোৰ জীৱন-গতি কঠোৰ অমোঘ কৰ্ম্মমুখ,—
এলাহ এৰি কামত ধৰ
শান্তি সুখৰ জীৱন কৰ।
এলাহ-লেপা হ'ই নেতাজন লাহ-বিলাহত হেলান দি,
দুৰ্নীত-শোষক হোৱাত বাদে দেশক নো আন দিবি কি?—
হাতে-পিঠে কাম কৰ কৰ, কেৱল কাম, কেৱল কাম,
কৰ সাৰুৱা দেশখনি তোৰ মাটিত পেলাই বুকুৰ ঘাম,—
কৰ্ম্ম-বীজত জন্ম যে তোৰ, তাক এৰিবৰ উপায় ক'ত?
জীৱন গছৰ আঁহে আঁহে ব'ইছে কেৱল কৰ্ম্ম-সোঁত,—
কাম কৰ কৰ, কেৱল কাম
মাটিত পেলাই বুকুৰ ঘাম।

কৰ্ম্ম-ভীৰুৰ কথাৰ বাজীত সত্য নহয় উদ্ঘাটিত,
নোখোলে দূৰদৃষ্টি,—নহয় সৃষ্টি নতুন উন্মেষিত,—
কৰ্ম্মতেহে সত্যময়ৰ ৰূপ-ৰচনা সিদ্ধ হয়,
অন্ধ-অমাৰ আকাশ ফালি সত্য-জোনৰ জ্বলে জয়,—
কৰ কৰ কাম, ধৰ ধৰ কাম, জীৱনটো তোৰ সত্য হ'ক,
সত্যৰ সোঁত কলকলকৈ জীৱন-নদী ভৰাই ৰ'ক,—
কৰ কৰ কাম, ধৰ ধৰ কাম,
অবিৰাম, অবিশ্ৰাম।

জীৱনৰ ডিল পচাঁই নিয়া কৰ্ম্ম-কাতৰ চুষ্টিমী,
ভাৱ-বিলাসী ধোদ-সোৰোপা লিখক-কৱিৰ ভণ্ডামী,
কামৰ নামত জুৱাচুৰী, ফাঁকিদাৰী, চণ্ডামী,
কৰ্ত্তব্যৰ আদেশ এৰা দায়িত্বহীন মুৰ্খামী,—
ধূলি-ধোৱাঁ হ'ই উৰি য'ক, কামত ধৰ কামত ধৰ,
কাম-বিজুলী-শিখা জ্বলাই গ্লানিৰ জাবৰ ভষ্ম কৰ,—
কেৱল কাম, কেৱল কাম,
নাই জিৰণি, নাই বিৰাম,—

আত্মৰক্ষা-দেশৰক্ষাৰ যি ডাক পৰে সন্মুখত
সেই ডাকতেই জাপ দি পৰি হ'ই পৰ কৰ্ত্তব্য ৰত,—
যি কামতেই মানৱতাৰ মুক্ত বিকাশ শুভ্ৰ হয়,
যি শ্ৰমতেই মৰুৰ বুকত জীৱন-ৰসৰ স্ৰৱণ বয়,—
যি সেৱাতেই মুমুৰ্ষতাত প্ৰাণ-কল্লোল উচ্ছলিত,
সেই কাম-শ্ৰম—সেই সেৱাতেই হ'ই পৰ তই উল্লাসিত,—
কামত ধৰ শ্ৰমত ধৰ,
সেৱাৰ জীৱন মহৎ কৰ,

গ'ল চিটিকি পেণাই গোৱা গীত-কৱিতাৰ গেলা যুগ,
থিয়া-থি হ'ল বিৰাট আশাৰ তেজ-তলমল কৰ্ম্ম-মুখ,—
সৃষ্টি নাচে নতুন ঠেওত বজাই-ৰণাই কৰ্ম্ম-ঢোল,
জঠৰতাৰ কঢ়াল এৰাই নিকা হবৰ সময় হ'ল,—
কথাই-কামে এক হ'ই তই কামত ধৰ, শ্ৰমত ধৰ,
কৰ্ম্ম-বিজয়-পঞ্চ বজাই জীৱনটো তোৰ নতুন কৰ;—
এলাহ এৰি কামত ধৰ,
জীৱনটো তোৰ বিৰাট কৰ।

অলসতাই যোগায় কেৱল দুখ-দাৰিদ্ৰ্য নৰক-ভোগ,
স্বাস্থ্য-ধনত বিহ ঢালি দি দেহত জমায় নানান ৰোগ,—
হিয়া-মন-প্ৰাণ চাটি পৰে ধ্বংসকাৰী অভিশাপ,
দুৰ্নীতি-দুখ-কল্মষ-ক্লেদ ব্যভিচাৰৰ দানৱ দাপ,—
শ্ৰম-বিলাসী শ্ৰমৰ সেৱক ল' তই শুধ শ্ৰমিক নাম,
ক্লান্তি-বিহীন উদ্যমেৰে দেশ কৰি তোল কৰ্ম্ম-ধাম,—
কামত ধৰ, কামত ধৰ
জীৱনটো তোৰ অমৰ কৰ।

এলেহুৱাই নিজ মৃত্যু চাপি অহাৰ নাপায় গম,
তিলতিলকৈ আত্মহত্যা কৰি হয় সি পশ্বাধম;—
কাম-হাফৰত জ্বলি গলি অজয়-অমৰ আকাৰ ল'
কাম-হাতুৰিৰ কোবত ফুটি জীয়াৰ পণত অটল ৰ',—
দেশৰ দোহাই,—নলবি তই আত্মহন্তা ঘৃণিত নাম,
কৰ্ত্তব্যতে লীন হ'ই কৰ জীৱনটো তোৰ পুণ্যকাম,—
কামত ধৰ, কামত ধৰ,
জীৱনটো তোৰ বিশাল কৰ।

দেখা নাই সৌৱা ! মহা-শূন্যত জাপ দি পৰিল মানৱদল,
অসীম কলাৰ মূল খুচৰি তৃপ্তিব জ্ঞান-কৌতুহল,—
তন্ন-তন্ন কৰি বিচাৰিব সৃষ্টি-কলাৰ অতল-তল,
সয়ল জগত জিনি গুঞ্জৰিব মহা-মানৱৰ কাকলিকল,—
কৰ্ম্ম-শানিত পাশুপাৎ হ'ই তইও হ' তাৰ সঙ্গী ভাই !—
তাৰ বাহিৰে মহৎ হোৱাৰ আন সম্বল একো নাই,—
কৰ কৰ কাম, ধৰ ধৰ কাম,
নাই জিৰণি, নাই বিৰাম ।

সৃষ্টি-গতিয়ে বাগৰ সলালে লব মানৱে নতুন ৰূপ,
নতুন পোহৰ, নতুন সুষমা জ্বলিব বিদাৰি অন্ধ-কুপ,—
মানৱৰ এই ৰূপ-সলনিৰ কৰ্ম্মশালীৰ হ' হাতিয়াৰ,
কৰ্ম্ম-প্লাৱিত হিল্লোল তুলি ওপচাই দে পৃথিৱী পাৰ,—
শ্ৰম নকৰি আনক চুহি তেলাল হোৱাৰ গ্লানি ল'ই,
ফেস্তা কথাৰ শিটা চোবাই মন মুহিবি কাক কি ক'ই ?
কামত ধৰ, কামত ধৰ,
জীৱন-গতি অসীম কৰ ।

দেখা নাই সৌ গাত-সেপেটা শত্ৰু-ফৈটীৰ হিংসা-হান,
* সুহৃৰৰ সৌ বন্ধু-ৰূপীয়ে যোগায় প্ৰলয়-অগ্নিবান,—
এই মহাকাল সন্ধি-ক্ষণত এলেহুৱা হ'ই থাকিলে তই,
জীৱন-স্তম্ভ গঢ়া স্বাধীনতা যি লভিলি সিও পৰিব জঁয়,—

* এই সময়তেই পাকিস্থানে আমেৰিকাৰ পৰা আধুনিক যুদ্ধাস্ত্ৰবোৰ ভাৰতৰ বিৰুদ্ধে সংগ্ৰহ কৰিছিল ।

কৰ কৰ কাম, ধৰ ধৰ কাম, অবিৰাম অবিশ্ৰাম—
ক্লান্তিবিহীন শ্ৰম-ধনেৰে দেশ কৰি তোল অজয়-ধাম,—
কেৱল শ্ৰম, কেৱল কাম,
দেশ কৰি তোল অজয়-ধাম ।

কৰ্ম্মৰেহে ঘটিব তোৰ বিৰাট ঐক্য সংগঠন,
জীৱন জগাই ব'ই থাকিব শক্তি-সৰল প্ৰস্ৰৱন,—
তাৰেইহে তই উটাই দিব পাৰিবি তোৰ শক্ৰদল,
নিশ্চিন্ত নিৰ্বিঘ্নতাৰে ভোগ কৰিবি মুক্তি ফল,—
জনমভূমিত বৰ্ত্তিব তোৰ নিৰ্বিৰোধী অধিকাৰ,
দুৰ্ব্বলতাৰ কলঙ্কবোৰ ধুই নিব ব'ই স্ফটিকধাৰ,
কৰ কৰ কাম, ধৰ ধৰ কাম
দেশ কৰি তোল অমৰধাম ।

# অসমীয়া দেখো এজনো নাই

চেপা, ঢকা-গতা, টনা-ধোহাঁ খাই কান্দে ধাকুৰি অসমী-আই,
জিত কৰে কোনে? আইৰ বুকুত অসমীয়া দেখোঁ এজনো নাই!—

আছে— উজনি নামনি, শিৱসাগৰীয়া, নগঞা, ডিব্ৰুগড়ীয়া,
দৰঙ্গীয়া, কামৰূপীয়া, গুৱালপাৰীয়া, জকাইচুকিয়া,
সুৱালকুছীয়া তেজপুৰীয়া,
লখীমপুৰীয়া, গোলাঘাটীয়া
উত্তৰপাৰীয়া, দক্ষিণপাৰীয়া,
পলাশবাৰীয়া, যোৰহাটীয়া,
বৰপেটীয়া, নলবাৰীয়া, — কত কছমৰ "ঈয়া" —
মাতৃভূমি ৰক্ষক হায়! নাই কণাকড়ি অসমীয়া।

আছে— বামুণ-শূদিৰ, আহোম-চুটিয়া, নগা, গাড়ো, মিৰি, কছাৰি-কোছ,
কেওট কলিতা, মিকিৰ-খাছিয়া, এটাৰ্লৈ এটাৰ হিংসা খোছ,—
ভৱিষ্যতত খিল মাৰি থ'ই,
নিজে নিজ চকু কাঢ়ি কণা হ'ই,
কোনে কাক মাৰি নিজে বৰ্ত্তিব চুকে-কোণে তাৰে ফুছ-ফোছ, ;—

আছে— চলিহা, ফুকন, চৌধুৰী, মেধি, দাস, ভাগৰতী, বৰদলৈ,
ডেকা, বৰা, বৰ-কটকি-কাকতি, ফোপোলা-বজোৱা ফুছ-হিলৈ,-

নিজৰ দেশক নিজৰ জাতিক
নুবুজা জড়তা আত্মঘাতিক,—
ক্ষমতা লাভৰ খকতে মত্ত মাতৃৰ কোনে চাব বিলৈ ?

আছে— গোহাঁই, ভট্ট, শৰ্ম্মা, বৰ্ম্মা, গগৈ, গোহাই, বৰুৱা,
দুৱৰা, তালুকদাৰ, লহকৰ, দত্ত, তামুলী, ৰাজখোৱা,
নাথ, বৰবৰা, বৰবৰুৱা,
কিমান উপাধি অন্ত নোপোৱা,—
সকলোটি আছে, কিন্তু নাই—নাই অসমী-সেৱক অসমীয়া।

আছে— ব্ৰহ্ম, চাংমা, ৰয়, পেগু, বসুমাতাৰি, নাৰ্জাৰি, ইংটি,
মাতৃক বধি মাওৰাটো হ'ই চুঙাত সোমোৱা ভেমটি,—
আনৰ প্ৰভাৱ অধীনতা ল'কে
নি আছে নমাই পলকে-পলকে,
একে সাঙোৰতে পৰ্ব্বত-ভৈয়াম অসহযোগৰ হান দি ;—

আছে— হাজৰিকা,, বেজ-বুঞ্জৰ বৰুৱা, ভৰালী, ভূইঞা, শইকিয়া,
মহীয়া-পথীয়া-এঘাৰদিনীয়া, মহাপুৰুষীয়া, দামোদৰীয়া,—
ই গাওঁৰ পৰা সি গাওঁ চেৰাই
বিৰোধ ধলেৰে সমাজ উটাই
চলিছে ক্ষিপ্ত খোজেৰে ঐক্য-চিন-ছাব কৰি নাইকিয়া,—
হায় ! হায় ! হায় ! অসমী-সেৱক নাই যে এজনো অসমীয়া ।

নাই লেশমানো এঠাৰ লেপেট কোনো কাৰো স'তে নহয় মিল,
ভাগি-ছিগি গ'ই ছিন-ভিন হ'ই কিলৰ পিঠিত খাইছে কিল,—

মাতৃৰ কোনে দুৰ্দ্দশা চাব নিজেই মৰিছে নিজকে খাই,
তিলতিলকৈ নাই-নুই হ'ই গ'ই আছে তত তথাপি নাই,—
নেতাৰ বেদীত দলীয় দাপৰ
উন্মাদনাত ধৰিছে ফাপৰ,—
পাছ-দুৱাৰেদি ভোটৰ হাটত দেশ-বিক্ৰীৰ খলকনি,
আগ-চোতালত কোৱাৰি বিদৰা আইডোল'জীৰ কাকধ্বনি,—
তেলপেৰা দৰে প্ৰগতি-পেৰাত পেৰপেৰকৈ আছে ওলাই
বাট-ঘাট-হাট পদূলি-পথাৰ ভৰাই কেৱল ঠেঙা-হাৰাই,—
কলাৰ নামত, সহাভিনয়ত,
চিনেমা হলত, চুৰত মুখত,
ছোৱালী নাচত মন-প্ৰাণ ৰত,—
মাতৃৰ দুখ মোচন কৰাৰ লেশমানো তাত বহন নাই,—
হায়! হায়! হায়! অসমী-আইৰ ৰক্ষক আজি এজনো নাই

---

ইং ১৯৪৯ চনত লিখা। 'ৰামধেনু'ত প্ৰকাশ।

# ধৰ, টানি ধৰ—স্বাধীন যে তই—
# পোন কৰি তুলি ৰক্ষা কৰ

হেৰ, জড়তা-পিষ্ট চিন্তা-বুদ্ধি-তত-বিবেচনাহীন, দুৰ্ভাগা,
অদূৰদৰ্শী অসমীয়া !
তোৰ, জনমভূমিত তোৰ সঁচ মৰি শ্মশানখন যে গজিব ধৰিছে,
—তাৰ হুঁচ কিয় নাইকিয়া ?
তই, স্বাধীনতা পালি, বাহু দাঙি দাঙি, ডিঙি ফালি ফালি
কতনো ভঙ্গী দেখুৱাই তাৰ গীত গালি—
কিন্তু, তোৰ জীৱনত স্বাধীন হোৱাৰ পুণ্য-পুৱাৰ
আনন্দকৰ জীয়াৰ পোহৰ কি পালি ?
পৰাধীনতাত নিপীড়িত জীয়ে স্বাধীনতা লভে
নৱোদ্যমেৰে নতুন জীৱন গঢ়িবলৈ,—
তই দেখোঁ হায় ! ভাঙি-ছিঙি গ'ই পঙ্গু খোজেৰে
আগহে বাঢ়িছ মৃত্যুৰ থলী শ্মশানলৈ ?
দোষ দিবি কাক ? অভিযোগ আছে কাৰ ওপৰত ?
—চেতনা-দৃষ্টি সমূলি হেৰালি নে কি তই ?
নিতে ঘটি আছে চকুৰ আগতে,—দেখিও নেদেখি,
বুজিও নুবুজি,—ভেবা লাগি আছ থিয় হ'ই।
দেখা নাই !—তই জী থকা ভেটিটো তোৰ স্থিতি স'তে
ধ্বংসৰ ফালে হালিছে কিদৰে,—নিঃসহায় ?—

তোৰ আত্মিক, মানসিক, দৈহিক, ৰং-ৰূপ-ৰসো
আনৰ হোপনি-যন্ত্ৰত পৰি শুহি যায় ?
ধৰ, টানি ধৰ,—সোৰোপালি এৰ,—জী থকাৰ ফালে
পোনাই দি তাক ৰক্ষা কৰ—ৰক্ষা কৰ—
স্বাধীন হোৱাৰ চেতনা-তেজেৰে গাওঁ-ভুই জুৰি
চহৰে-নগৰে বজ্ৰগোট হ'ই দৃঢ়তৰ ?
তয়েই কেৱল—তয়েই কেৱল,—তোৰ দেশ-জাতি ৰক্ষা কৰোতা
—আন কোনো আৰু নাই—নাই—
জনম-ভূমিত আলু উঠি যে তই উচ্ছন হবি
—ভাব যদি তোক ৰক্ষিব আন কোনোবাই—
ইং ১৯৫৯

---

* ইং ১৯৫৯ চনত ৰচনা কৰা আৰু সেই চনৰে 'অসম বাণী'ৰ স্বাধীনতা সংখ্যাত প্ৰকাশ হোৱা।

# মানুহ হ'—মানুহ হ'—

মানুহ হ'—মানুহ হ'—
কথাই-কামে, চিন্তা-ভাবে, সাজে-কাছে মানুহ হ'—
মানুহ যদি নোৱাৰ হব, বাঘ নহবি শগুন হ'—

বাঘ হলে তই নিৰীহ-জীৱক হত্যা কৰি ৰক্ত পি,
গোটেইখনক আৰ্ত্তনাদৰ বিভীষিকাত বুৰাই দি,
বতাহৰ গাত গেলা-পচাৰ বিহ-বাষ্প উদ্‌গাৰি,
জীয়াৰ আশাত বৰ্ত্তি থকা স্বাস্থ্য-ধনৰ কণ মাৰি,
আৰু কাৰ ক'ত ৰুধিৰ পিবি লুকাই ৰ'বি নেজ পাৰি,—

শগুন হলে মৰা-গেলাৰ গ্লানি ঠোঁটত কোচাই ল'ই,
পোনে পোনে পাখি মেলি শূন্যত গ'ই থিতি হ'ই,
আনন্দেৰে উৰি উৰি
ভাহি ভাহি ঘূৰি ঘূৰি
গেলা-পচাৰ স্বাস্থ্য হৰা ৰোগ-বীজাণুৰ মূল তুলি,
স্বস্তি লভি সুখ পাবি নৱ-সমাজ ৰক্ষা হ'ল বুলি,—
মানুহ যদি নোৱাৰ হব বাঘ নহবি শগুন হ' ঃ—
শগুনো যদি নোৱাৰ হব কুলি নহবি কাউৰ হ',—

কুলি হলে তই মুখত মিহি প্ৰতাৰকৰ কুঁহু গাই
আনৰ অধিকাৰ লুটিবি দস্যু-চোৰৰ কিটিপ চাই,—

কাউৰ হলে তই পূৱত বগা ফুট দিওঁতেই বাঁহ এৰি,
ৰাতিৰ বাহী-পচা ঠুটাই চোতাল-কাথি শুধ কৰি,
কা—কা—গাই ঘৰ-লখিমীক ৰাতি-পুওৱাৰ কথা ক'ই,
উৰি যাবি সেৱা কৰা মৰমৰ নিৰ্ম্মালী ল'ই :—
মানুহ যদি নোৱাৰ হব, কুলি নহবি কাউৰ হ',—
কাউৰো যদি নোৱাৰ হব, শিয়াল নহবি কুকুৰ হ',—
শিয়াল হলে খোখা ভাঙি হাঁহ-পাৰবোৰ চুৰ কৰিবি,
কুকুৰ হলে চোৰ খেদি দি গিৰিহঁতৰ ঘৰ ৰখিবি,—
নোৱাৰ যদি মানুহ হব, শিয়াল নহবি কুকুৰ হ',—
কুকুৰো যদি নোৱাৰ হব, সাপ নহবি কেচু হ'—
সাপ হলে তই খেদি খাবি হিংসাৰ বিহ-দাঁত বহাই,
কেচু হলে উথৰা মাটিত সাৰ যোগাবি ৰস জমাই,—
মানুহ যদি নোৱাৰ হব, সাপ নহবি কেচু হ',—
সিও যদি নোৱাৰ হব, জোক নহবি মাগুৰ হ',—
জোক হলে তই যাকে-তাকে মাৰিবি তেজ চুহি খাই,—
মাগুৰ হলে ৰোগীৰ দেহত শক্তি দিবি তেজ যোগাই,—
মানুহ হ'—মানুহ হ'—
মানুহ যদি নোৱাৰ হব, জোক নহবি মাগুৰ হ'—
মাগুৰো যদি নোৱাৰ হব, ধূৰ্ত্ত নহবি সৰল হ'—
সিও যদি নোৱাৰ হব, একো নহবি—কিবা হ',—

ইং ১৯৭৭

---

* 'পঞ্চতন্ত্ৰত' প্ৰকাশ হ'ইছিল ।

# আশাধাৰী বুঢ়া কবিৰ প্ৰশ্ন

কোন যুৱকৰ মহোৎসৱ ?
মহোৎসৱৰ কলৰৱ ?—
কৰ্ম্ম-শ্ৰম-দীপ্ত যুৱক নেদেখোঁচোন মোৰ দেশত,—
কৰ্ম্ম-মুখৰ তেজ উতলি ৰঙা পৰা মুখ খনত ;—
দেখিছোঁ যি শ্ৰমৰ শাৰীত মুখ-লুকোৱা খোদৰ দল,—
প্ৰগতিৰ সোঁত ঘোলা কৰা শ্ৰমত কাতৰ অলস খল,—
কলাৰ নামত, যৌন ৰাপত,
ছোৱালী নাচত, সহাভিনয়ত,
হাৱাই-ঠেঙাত, চুৰত মুখত,
চিনেমাষ্টাৰত, খেল পথাৰত,
উল্টা-চোচা জিলিক-তোলা সাজ-কাছোনত ৰাপ কেৱল,
দেশৰক্ষাৰ, জাতি ৰক্ষাৰ শ্ৰমৰ যোগত শূণ্য ফল ;—

দেশ-জাতি যায় সাত-শতুৰৰ বেঢ়ি ধৰা আক্ৰমণত,
ছাল-হাড়-তেজ-মন-মগজুত নাই তথাপি চিন্তা তত্ ;—
কোন যুৱকৰ মহোৎসৱ ?
কিহৰ ইমান অতপধপ ?

বছৰ বছৰ প্ৰলয়-বানে কৰে খেতিত মৃত্যুপাত,
খাদ্যাভাৱত গাওঁ নগৰত হৃদয় চেদা আৰ্ত্তনাদ,—
গৰা-খহনত ৰমক-জমক সম্পদশালী গাওঁ বিলাক,
অদৃশ্য হ'ল ভাঙি-উটি ধন-প্ৰাণ স'তে হ'ই বিনাশ ;—

হাট-বজাৰত বেপাৰী দলৰ জীৱন-কুটা দাম-দাবি,
কলিজাৰ কোহ চেপি শেষ টুপি দিলেহে এৰণ খুদ পাবি ;—
দেশৰ অজলা ভাই-ভনীবোৰ শিক্ষা-স্বাস্থ্যত নিঃসহায়,
শোষকৰ পৰা আত্মৰক্ষাৰ উপায় দিহাৰ গম নাপায় ;—
বেপাৰী-দালাল কেঞা-কাবুলিৰ শোষণ জ্বালাত জৰ্জ্জৰিত,
প্ৰতিনিধি দল শাসন-গাদীত ভোগ-বিলাসত উন্মাদিত ;—
কোন যুৱকৰ যুৱোৎসৱ ?
কিহৰ ইমান কলৰৱ ?

এৰা-নিদিয়া নৈঃসৰ্গিক প্ৰাকৃতিক উৎপীড়নৰ
ধন ধাৰ দি জীৱন চেপি নিঃস্ব কৰা মহাজনৰ,
ঠগ-প্ৰবঞ্চক ৰক্ত-শোষক কিনা-বেচা কৰা বেপাৰীৰ,
জন-সেৱকৰ মুখা পিন্ধি ভোট গোটোৱা নেতা-মন্ত্ৰীৰ,
নীচ, নিৰ্ভীক শেষ নোহোৱা বিৰাট ব্যাপক শোষণত
জন-গণৰ জীৱন মৰে শোষণ-ধৰ্ম্মী কুশাসনত,—
এই অভিশাপ ধ্বংস কৰি ৰক্ষা কৰা দেশ-জাতিক
নেদেখোঁচোন যুৱাৰ মাজত সাহ-পিত কণ—বৈদ্যুতিক ?
কোন যুৱকৰ মহোৎসৱ ?
যুৱোৎসৱৰ কলৰৱ ?

ইং ১৯৬৪

---

২০।১।৬৪ তাৰিখত যোৰহাটত বহা সদৌ-অসম যুৱক মহোৎসৱৰ আমন্ত্ৰণত লিখা ।

# খক-দৈত্যক কৰা অচল

চিৰ-ফুট্‌ফুট্‌ মাধুৰ্য্য[illegible]ৰে জীৱন-উমোৱা সৃষ্টি ধাৰাৰ
নানান ৰঙীন সপোন-মদিৰ আনন্দ ল'ই জীয়াই থকাৰ,
স্বতঃসিদ্ধ আত্মাধিকাৰ-বিমণ্ডিত সবল হোজা
নৰ-নাৰায়ণ হেৰা মানৱ ! জী থাকিব যদি খোজা,—

সৌ যে দেখিছা খক-দৈত্যই দাঁত কৰছি উল্কা ফুটাই,
বিজুলী-ধাৰ জিভাত জ্বলাই লক্‌লক্‌কৈ অগ্নি চিটাই,
জ্ঞান-বিজ্ঞান শানত ধাৰাই ৰাক্ষসী-খক ধাৰাল কৰি,
সৃষ্টি-উহৰ জীৱনত্ৰাৰী পৰমাণুটোকো চূৰ্ণ কৰি,—
ফাঁকি, দুৰ্নীতি, প্ৰতাৰণাৰ কুট দল-বল আগত থাপি
ত্ৰিলোক-ত্ৰাসী হুঙ্কাৰ তুলি দিক্‌মণ্ডল কঁপায় দাপি,—
বাট-ঘাট-হাট বজাৰ-পোহাৰ, মেল-মজলিছ, শাসন-পীঠত,
খক-স্ফুলিঙ্গ বিস্ফোৰণত শান্তিৰ শিশু হয় বিক্ষত ;—

কিন্তু তুমি ভুখা-মানৱ,-ভোকহে তোমাৰ, খকতো নাই,—
সেই ভোকটোৰে কণটোকো যেন খক-দৈত্যই পেলাব খাই ;—
দৰিদ্ৰ নৰ--নাৰায়ণৰ খকৰ নহয়, ভোকৰ ভাত,—
সৰ্ব্বগ্ৰাসী খক-দানৱে তাতো বহুৱায় বজ্ৰ দাঁত,—
তথাপি যেন মৰ-খক তাৰ তৃপ্ত নহব,—দেখিছোঁ যি—
ভুখা নাৰায়ণ জীয়াই থকাৰ শেষ আশাকণো নেৰিব সি ;—

খক-দানৱৰ খকা-খুন্দাত সৃষ্টি—গতিৰ সোলোকে সাফ,
জীৱন-ধ্বংসী শিখা জ্বলে তাত উগাৰি প্ৰলয়-অগ্নি ভাপ,—

আকাশ-আলোক-বায়ু-মাটি চাটি হিয়াৰ লৰণু যিকণ আছে,
তাকো কাঢ়ি খাই ৰক্ত-লোলুপ নৃসংহতাই উতলি নাচে,—

খক-অগ্নিত পুৰি ছাই হয় জীৱন-ৰসৰ উৎস সৃষ্টি,
ভোক-তৃপিতিত দোপে দোপে হয় প্ৰাণ-প্ৰাচুৰ্য্য পৰিপুষ্টি,—
খকৰ বিষাল খামোছত হয় ন্যায়-সত্যৰ ৰক্তপাত,
নৱ-সৃষ্টিৰ পৰিকল্পনা ভাগি পৰে ঘোৰ বিভীষিকাত,—
সুন্দৰ আনন্দময়ৰ স্বস্তিৰ তাত থিতি নাই,—
ভূত-প্ৰেতহে প্ৰৱৰ্ত্তে তাত গ্লানিৰ গলিত গৰল খাই.—
ভোক-তৃপ্তিত উথলে শান্তিৰ মধু-গুঞ্জন কলকলি.,
নতুন ৰসেৰে নৱ--জীৱনৰ কুঁহি মেল খায় হলফলি ;—

প্ৰতিৰোধ কৰা নৰ-নাৰায়ণ খক-দৈত্যৰ খকৰ জক,
শান্তি-আকুল ভুখা-জীৱনৰ জয়েৰে ধৰণী প্লাৱিত হ'ক,—
সত্য-ন্যায়-নিহিংসতা,
ত্যাগ, নিৰ্লোভ, নিস্পৃহতা,
অজেয় তোমাৰ অস্ত্ৰবল,—
তুমি ভোকাতুৰ নৰ-নাৰায়ণ
সেই অস্ত্ৰেৰে হ'ই বলিয়ান,
খক-দৈত্যক কৰা অচল ।

ইং ১৯৬২

'মণিদীপ'ত প্ৰকাশ হ'ইছে ।

# খকক এৰি ভোকক ধৰ

খক এৰি ভাই ভোকত ধৰ,
সমস্যাবোৰ সৰল কৰ,—
খোৱা হলে—
তেজ-মঙহে, হাড়ে-ছালে,
নাড়ী-পেটু, নোম-নেঙুৰে, গোবৰ-ভোহে,
ময়লা কণো ৰেহাই নিদি
গোটেই গিলি খাবি,—
ভুখা হলে,—
জঠৰাগ্নি শান্ত কৰি
সুস্থ পুষ্ট হোৱাৰ হেতু
মৰম-সনা লগাখিনি
পূৰাপূৰি পাবি।—
ভোক-খক দুয়ো একে লগ হ'ই
বাগি চলিলে তো কথাই নাই,—
সমস্যাবোৰ জটত পেলাই
জগতো জ্বলাই কৰিব ছাই,—
সেয়ে আজি গ'ইছে দেখা ভিতৰ-বাহিৰ নিৰখি চাই।
সমস্যাৰ সোঁত ব'ই থাকিব
এটাৰ পাছত আনটো আহিব,
তাৰ পৰা তো ৰেহাই নাই,—
খকেৰে তাত কট নলগাই,
সমাধান কৰ শান্তি বিছাই,
কেৱল সৰল ভুখা হ'ই।—ইং ১৯৫৫

ইং ১৯৫৫ চনত লিখা আৰু 'দীপক'ত প্ৰকাশ হোৱা।

# জীৱনৰ প্ৰয়োজন

যাৰ হৃদয়ত
দেশ সেৱনত
আত্মাহুতিৰ অনল শিখা নাই

তাৰ জীৱনত
নাই অবাবত
প্ৰয়োজনৰ উচ্চ দাবী ভাই

দেশৰ মাটিৰ
ৰস-ৰূপেৰে
নদন-বদন পুষ্ট হোৱা প্ৰাণ

এলেহুৱাৰ
নহয় কেৱল
লাহ-বিলাহত ভাহি ফুৰা গান—

মাতৃ-ভূমিৰ
বুকু ফা'ল
শক্তিধাৰাৰ অমৰ সুধা পি,

মাতৃ-সেৱাত
প্ৰাণ নিদিলে
জীৱন ধৰাৰ সকামটো হ'ল কি ?

মাতৃ-ভূমি
তিলে তিলে
ঘোৰ দৈন্যত গ'ই যে আছে তল,

মূল্য কিহৰ
তেন্তে তোমাৰ
তুলি ইমান লাহ-বিলাহৰ ধল ?

দেশ-বিদেশৰ
বিচাৰ সভাত
নহবা নে মূৰ্খ ঘৃণিত জন ?

কৰা, আহা !
তেনেহলে
মাতৃ-সেৱাত জীৱন মৰণ পণ ;

ইং ১৯৩২

# "ডিউটী" আগত-দাবি পাছত

বেল যদি হয় সৰ্ব্ব-কুশল জন-মঙ্গল আশীৰ্ব্বাদ,—
কৰ্ম্মীদলৰ গতি-মতি
কৰ্ত্তব্যবোধ, সংহতি,
ৰ'ব লাগে আলোৰ দৰে শান্তিপ্ৰদ নিৰ্বিবাদ,—

"ডিউটী"ৰ মান দাবিৰ আগত,—নহলে হয় সৰ্ব্বনাশ—
'ডিউটী' খছি দাবি ললে,
বিপদ ঘটে পলে পলে,—
গণ-কল্যাণ সেৰা-মঙ্গল—সকলোবোৰ হয় নিৰাশ।

ইং ১৯৫৮

COTTON COLLEGE LIBRARY, GAUHATI

* ইং ১৯৫৮ চনৰ পাণ্ডুত পতা 'বেলৰে সপ্তাহ'ৰ কৱি-সম্মিলনীৰ আমন্ত্ৰণক্ৰমে পঢ়িবলৈ পঠাই দিয়া হ'ইছিল।

# তিনচুকিয়া

তিনচুকিয়া! তিনচুকিয়া! তিনচুকিয়া! তিনচুকিয়া!
ভিতৰত তোৰ নাই দেখোঁ একো নামটোহে আছে অসমীয়া!
তাতো যে নিজৰ চিন 'চ' গুচি অজীণৰ 'স' হ'ল,
ৰস, জীপ, চুহি শেষ কৰি ললে বাকলিটো পৰি ৰ'ল,—

কোন কু-খেণৰ কি অভিশাপত এনে দশা হ'ল তোৰ,
দেখি, শুনি, ভাবি, গুণি-গাথি জুই জ্বলিছে বুকুত মোৰ,—
তয়ে বা কি পাপ কোন কি খেণত আচৰি এনুৱা হলি,
নিজৰ জনম চিন-ছাব এৰি অজীণৰ চিন ললি,—

বাটে-পথে শুনোঁ নজনা-নুবুজা কোন কি জীৱৰ মাত
তোৰ চোতালত কোন সতে নামি কৰোঁ নো জীৱন শাঁত!
তোৰ বুকুখনি জনকাই বাজে ধন-সোণ লাখে লাখ,
পূৰা দমে তাতো আনৰ প্ৰভাৱে কৰে মোক পৰিহাস,—

হাট-বজাৰৰ কিনা-বেচাবোৰ আনৰ হাতৰ লাৰু
ধৰাৰ পিঠিত কোন কি দেশৰ এনে দশা আছে বাৰু?
আনৰ তাপত তোৰ সন্তানে ত্ৰাসত উধাতু খাই,
দূৰতো বিদূৰ হ'ই আঁতৰিল, আনে ললে সেই ঠাই,—

আহিব নে এনে দিন কেতিয়াবা নিজৰ কাছোন লবি,
বুকুভৰি মোৰ জ্বলিব মধুৰ তোৰ মন-মোহা ছবি?*

---

*ইং ১৯৩৩ চনত "সংৰক্ষিণী-সভাৰ" বাণী প্ৰচাৰ কৰি গোটেইখন অসম ঘূৰি ফুৰোঁতে তিনচুকিয়াৰ অৱস্থা দেখি এই কৱিতাটো লিখা হ'ইছিল, আৰু সেই চনৰ "আৱাহনত" প্ৰকাশ হ'ইছিল।

# আত্মবোধ—তত্ত্ব

নিজে নিজৰ শত্ৰু নহলে
বাহিৰৰ কোনো শত্ৰু নাই,
নিজে নিজত কাহিল নহলে
বহিৰ্শত্ৰুই নাপায় লাই,—
নিজে নিজক আঘাতিলেহে
দুৰ্ব্বল হয় ভিতৰখন,
বহিৰ্শত্ৰুই ছল চাই লয়
আক্ৰমণৰ সুযোগ ক্ষণ।

নিজে নিজৰ আত্মবোধত
ক্ৰটীৰ পিশাচ পৰিলে নামি
বিৰাটাত্মাৰ চেতনাৰ সোঁত
সেইখিনিতে মৰহে থামি,—
আত্ম-জ্যোতি অন্ধকাৰৰ
অতল তলিত স্তব্ধ হয়,
নিজত্বটোই হুঁচ হেৰুৱাই
নিষ্ক্ৰিয়তাত নিতত ৰয়।

নিজক প্ৰখৰ উপলব্ধিত
নিজ ৰক্ষাত বাঢ়ে বল,
লক্ষ-হেজাৰ সবল ৰিপুই
আক্ৰমণৰ নাপায় থল।

আত্মবোধৰ অভাৱতেই
আত্মহত্যা ঘটে দোষ,
নিৰ্জ্জীৱতাত নিঃচিহ্ন হয়
সমূলঞ্চে জীৱন-কোষ।

ই ১৯৬৪

'মণিদীপ'ত প্ৰকাশ

# মানৱতা কৰ উজ্জীৱন

দেশ যদি তোৰ সেৱাৰ প্ৰতীক—
দেশ-সন্তান হৱ যদি ঠিক,—
সৰ্ব্ব-সহন ধাতু-মজ্জাৰে
গৰ্ব্ব-দহন সাজ-সজ্জাৰে
জয়ময় কৰি গঢ়ি তোল তোক গঢ়ি তোল

শ-পৰাজয়ৰ অশনি আঘাত
বুকু পাতি ল'ই কৰি দি নিমাত,—
অমৰণ-স্তুপ সাজি তোল তোৰ সাজি-তোল।

বেদনা-ক্লীষ্ট সেমেকা মনত
নিৰাশা-পিষ্ট ঘোলা আননত
আশা-বিজুলীৰ চিকিমিকি গোৱা
ঠেও-ভঙ্গীৰ নৃত্য খোল,—

ঘোপমৰা ম্ৰায়মান অৱসাদ
উটুৱাই দি ল' উছাহ অবাধ,—
নৱ-সৃষ্টিৰ কুঁহি মেল-খোৱা
চৰা উল্লাসী অৰুণ-বোল—

শ্ৰম-কষ্টৰ আচোঁৰ বিলাক
কৰ জীৱনৰ ভৰ মৌচাক,—

জীয়াব আশাত স্বৰক কেৱল
শক্তি জিপাল উদ্দীপন,
বিলাস-ক্লেদৰ বীভৎসতাক,
ক্ষমতা-খকৰ ভয়াবহতাক,
সেৱা-তিয়াগেৰে কৰি বিহ্বল,
মানৱতা কৰ উজ্জীৱন ।

ইং ১৯৫০

---

গুৱাহাটী ৰেডিওত আৰু 'ৰামধেনুত' প্ৰকাশ

# একে নহয় কথা দুটা

'নামটোত' জী থকা, আৰু জীয়াৰ দৰে জী থকা,—
একে নহয় কথা দুটা ;—
মুক্তা এটা,—আনটো কুটা,—
এটা নকল,—আনটো আচল,—
এটা অচল,—আনটো সচল,—
এটা মধুৰ,—আনটো কটুৰ,—
এটা চতুৰ,—আনটো ফটুৰ,—
এটা কায়া,—আনটো ছায়া,
প্ৰতাৰণাৰ কুট-মায়া ;—

এটা ভৰাল অমৃতেৰে, আনটো শুদা শুকান জকা,—
মানৱতাৰ ভুৱাৰে তাক জীয়া বুলি থিয়াই ৰখা।
দৃষ্টিত তাৰ বিশ্ব-বোলৰ ৰহন-সনা সপোন নাই,—
আনত যিকণ মুঞ্জৰে সি ধ্বংসি তাকো কৰে ছাই।

জীয়াৰ নামত হিহঁনি টানি কল্‌ধপ্‌কৈ যি জীয়া,—
তন্দ্ৰা খেদি চেতন কৰা,
অন্ধকাৰৰ কৰাল হৰা,
সমগ্ৰতাক ৰস যোগোৱা,
নিষ্ক্ৰিয়তাত তত্ চপোৱা,
বিচিত্ৰতৰ উন্মেষণৰ,
আনন্দময় প্ৰস্ফুৰণৰ ;—

বিপ্লৱাকুল উহেৰে তাত জীয়াৰ সপোন নাইকিয়া,—
আত্মদানী আলোক-শিক্ষা জ্বলোৱা তাত নাই হিয়া ;—

এই জীয়াটোৰ অপবাদত জীৱন-প্ৰভা ক্ষুণ্ণ হয়,
নৰ-সৃষ্টিৰ কলা-কাৰুৰ অগ্ৰগতি তন্দ্ৰি ৰয়।

জীয়াৰ দৰে জী থকাটোত চলে জীয়াৰ জীৱন ধল,
নানান নতুন ৰঙিন সপোন উচ্ছুলে তাত অবিৰল,—
মুক্ত চিন্তা বুদ্ধি বিচাৰ,
পঙ্গু কৰা ভৱ জড়তাৰ—
সোলা-ভেমৰ মূৰ্খ খিতাপ,
বিলাস-ক্লেদৰ ঠগবাজী দাপ,
স্বাৰ্থকলুষ দুষ্ট-মনৰ,
এলেহুৱা বোদৰ জাবৰ,
উটাই দি তাত দেশ-প্ৰাণতাৰ বন্তি জ্বলে নিষ্কলুষ,
জীৱন-জ্যোতি বিচ্ছুৰে তাত অনিৰ্ব্বাপিত কৰ্ম্মমুখ,—
পুৰণিটোৰ পঁচাখিনি ধুই-পখালি নিকাই ল'ই,
অপৰূপ ন-আশাৰ সপোন কুঁহিয়ায় তাত নিটোলকৈ।

১৯৫৬

---

'অসম বাণী'ত প্ৰকাশ

# স্বাধীনতা ৰক্ষা কৰা

অন্তৰিক্ষাসীন সৌৰা ভাৰতৰ ৰুদ্ৰ ক্ৰুদ্ধ বিক্ষুব্ধ আত্মাই,
আত্মদ্ৰোহী আত্মঘাতী সন্তানৰ আত্মচ্ছেদী যন্ত্ৰণা সূচাই,
যুগে যুগে দাসত্বৰ গ্লানিময় অভিশপ্ত স্তৰ খুলি খুলি,
সচকিত সতৰ্কিত কৰি আছে অহৰহ বজ্ৰনাদ তুলি,—

—"শুনা, শুনা মোৰ সন্তান সকল! প্ৰাণ দি,—হিয়া দি শুনা,—
"দাসত্ব পোতৰ পৰা স্বাধীনতা-ধন মুক্ত হ'ল,—বহু প্ৰাণ ধুনা,
"হিয়া দলা, বুকু ভঙা,—মানৱীয়তাক মৰ্দ্দি বিমুৰ্চ্ছিত কৰা,—
"লাখ লাখ বাই-ভনী-মাতৃৰ ধৰ্ষণ,—সতীত্ব বিভূতি হৰা,—
"লাখ লাখ পিতৃ-পুত্ৰ-ভ্ৰাতৃ-হত্যা, ৰক্তপাত,—ধন-বিত্ত নাশ,—
"অসীম অবৰ্ণনীয় কলঙ্কিত গ্লানিৰ গলিত পৰিহাস
"ভেদ কৰি,—

"ৰক্ষা কৰা, ৰক্ষা কৰা, ৰক্ষা কৰা তাক,—তেজোদ্দীপ্ত
"সন্তানৰ নিষ্কলুষ চৰিত্ৰ বলেৰে,—"ভেজাল ভেঁটীত লিপ্ত,—
"গাদী-পদ-ধন-বিত্ত-ক্ষমতা-সম্ভোগ খকত মত্ত হোৱা,—
"সেৱা এৰি খক ধৰি দেশ-মঙ্গলৰ আমূল উভাবি খোৱা,—
"হাতে-লুটে ধৰা পৰা দুৰ্দ্দান্ত দোষীও ভোট-ভেঁটীৰে সাৰি যোৱা,
"বাহিৰত তেল ঘঁহি ভিতৰ উৰলি যোৱা গেলা-দ'ম ঢকা,—
"বাকলিৰ চোকোৰাত ৰং সানি ভিতৰত ফেঁটী পুহি ৰখা,—
"মানৱতা লাথি মাৰি দুৰ্ম্মদ দুৰন্ত দানৱতা সেৱা কৰা,—
"তথাপি কিঞ্চিৎমানো চকু-মুখে লজ্জা অনুভৱকে নকৰা,—

"দুর্নীতিৰ কুষ্ঠ-ক্লেদ চুহি নিঃসঙ্কোচে আত্ম-প্ৰসাদত থকা,—
"পৈশাচিক কুচৰিত্ৰ বিনাশি নিৰ্ম্মূলি স্বাধীনতা কৰা ৰক্ষা ;"—
"নহলে, পুনৰ মই নাৰকীয় দাসত্বৰ পোতত পৰিম,—
"এতিয়া পোৱাখিনিও লাঞ্ছিত লুণ্ঠিত হব,—সমূলি মৰিম"—

ইং ১৯৬১

---

চীনা আক্ৰমণৰ এবছৰ আগতে লিখা।
প্ৰায় আটাই কেখন কাকতত প্ৰকাশ।

# চীন-আক্ৰমণৰ সমস্ত

জীৱন ফোপাই উঠি আহ মোৰ
মহা-ভাৰতৰ মহা-মানৱৰ গৰজন—

( ১ )

জঠৰতা ফালি উঠি আহ মোৰ মহাভাৰতৰ মহামানৱৰ গৰজন—
(আমাৰ) শান্তিৰ পীঠ হিমাচল দলি দানৱে কৰিছে আক্ৰমণ,—
ইমূৰ সিমূৰ তুলি ঝঙ্কাৰি
দীঘ-পথালীয়ে সমানে আলোড়ি,
বাটে-ঘাটে, পদূলি-পথাৰে
পৰ্ব্বত-ভৈয়াম, ঘৰে-ঘৰে,
নিস্তেজ নিমাখিত চুক-কোণ
ৰণোন্মাদনাৰে ভৰাই জীৱন,
বিজুলী বেগেৰে উঠি আহ মোৰ মহা-ভাৰতৰ মহা-মানৱৰ জাগৰণ,
(আমাৰ) সাধনাৰ-বেদী হিমাদ্ৰী চেৰাই দানৱে কৰিছে আক্ৰমণ।
স্নায়ু, সিৰ তেজ, আৰবি অঙ্গ
অগ্নি-উতলা তোল তৰঙ্গ,
অদৃশ্য হ'ক জড়তা, ভীৰুতা,
অমনোযোগীতা, ঘোৰ শিথিলতা,
নিষ্ক্ৰিয়তা দূৰদৃষ্টি-হীনতা,
অ-তৎপৰতা, অ-সতৰ্কতা,—
বজ্ৰ-নিনাদি উঠি আহ মোৰ মহাভাৰতৰ মহামানৱৰ জাগৰণ,
চীনীয় ড্ৰাগন-বৃত্ৰ-অসুৰে কৰিছে পিশাচী আক্ৰমণ।

(আমাৰ) স্বাধীন প্ৰগত পৰিকল্পনা,
সংগঠনৰ প্ৰতীক সাধনা,
সত্য, শান্তি, মানৱতাবোধ,
চেষ্টা দুৰ্নীতিৰ অৱৰোধ,—
অসীমাভিমুখী বিশ্বাভিযান,
ভূমা-মৈত্ৰীৰ আকুল সন্ধান,—
আশা-আকাঙ্ক্ষা যতন-সাধনা কৰিব দানৱে নিস্পেষণ,
উঠি আহ মোৰ একগোট হোৱা মহা-ভাৰতৰ মহামানৱৰ গৰজন।
গাৱেঁ-নগৰে, পৰ্ব্বত-ভৈয়ামে,
বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সমানে,
একেটা গোটেৰে, একেটা পণেৰে,
একেটা ভঙ্গী, একেটা খোজেৰে,
বীৰ দৰ্পেৰে আহ আগুৱাই
চিঙি-ভাঙি গুড়ি হ'ই পুটি খাই
চূৰ্ণিত হ'ক বৃত্ৰাসুৰৰ অ-মানৱীয় আস্ফালন,
মাৰ্ত্তণ্ড তেজেৰে জাগি উঠ মোৰ মহা-ভাৰতৰ মহামানৱৰ গৰজন।
জাতীয়-ঐক্য গঢ়াত যিবোৰ
ধূলি-বালি-মলি জাবৰ জোঠৰ,
আঞ্চলিক-প্ৰসাৰণ আবদাৰ,—
উচ্চাত্মিকা, নীচাত্মিকাৰ
গৰ্বাভিমান, মুহ্যমানতা,
অন্তৰায়ৰ ক্ৰূৰ ধৃষ্টতা,
উৰি গ'ই হ'ক ত্যাগ-বিজুলীৰ ধুমুহাত পৰি আওমৰণ,
মেঘ-মন্দ্ৰেৰে জাগি উঠ মোৰ মহাভাৰতৰ মহামানৱৰ গৰজন।

সুদূৰৰ সেই সত্য যুগত
আগী দধিচীয়ে দেশৰ ডাকত
অস্থিবজ্ৰ দিলে তনু ত্যাগি,
– শৌৰ্য্য-স্ফুলিঙ্গ দেখা দিলে জাগি,—
অসুৰ-বিজয়ী তেজ তলমল,
দশোদিশ জ্বলি মুকলিত হ'ল,—
সেই শৌৰ্য্যেৰে দেৱতাৰ দলে বৃত্ৰাসুৰক কৰিলে নিধন,
উঠি আহ আজি সেই দান ল'ই মহাভাৰতৰ মহামানৱৰ দানৱ-দলন
জাগৰণ ।
আমাৰ কলিৰ দধিচী ত্যাগী পীতাম্বৰে—*
দেশৰ ধৰ্ম্ম-ৰক্ষা ধ্যানেৰে
তিয়াগিলে তনু ত্যাগ যজ্ঞত—
অমৰ-স্তম্ভ থাপিলে দেশত,—
অমোঘ-বজ্ৰ সেই তিয়াগৰ
বৰ্ম্মেৰে সাজি হ'ই মৃত্যুহৰ,
নিৰ্ভয় বিক্ৰমেৰে যুঁজি কৰোঁ কলিৰ বৃত্ৰাসুৰক নিধন,
জীৱন ফোপাই উঠি আহ মহাভাৰতৰ মহামানৱৰ মহাজাগৰণ ।
ইং ১৯৬২

---

গুৱাহাটী ৰেডিওত গোৱা আৰু 'মণিদীপ' 'ৰামধেনু'ত প্ৰকাশ ।
* গড়মূৰীয় গোস্বামী ।

# জীয়াৰ যুঁজত জয়ী হ’

( ২ )

সাহ তল-বল নির্ভয়-চিত
অ’ মোৰ দেশৰ জিয়াৰী পো,—
দেশৰ মাটিত, ঘৰৰ ভেটিত,
খোপ নেৰিবি,—খোপ দি ৰ’—
চুলিৰ মানো খোপ নেৰিবি,
ৰণৰ মানো ভয় নাখাবি,—
হিমশৃঙ্গৰ শিপাৰ দৰে,
দিগ্‌বলয়ৰ দৃঢ়তাৰে
খোপ দি ৰ’—খোপ দি ৰ’—
মেৰু পোণাই বুকু ফিন্দাই
জীয়াৰ যুঁজত জয়ী হ’—
অনন্তমূল জন্ম যে তোৰ
সাৰুৱা তোৰ দেশৰ মাটিত
খোপ এৰিলে শিপাই স’তে
উঘলি পৰি হবি অথিত—
জন্মবীজত শিপা এৰি
আন ক’তো তই জীপ নাপাবি
জীৱন ৰসৰ উইটো এৰাই
জীয়াৰ আশাৰ তাঁত হেৰাবি।

ভাঙি গুড়ি কৰা ধুমুহা আহিছে—আহক—
নিস্বা শবদে বজ্র গাজিছে—গাজক—
আগ্নেয়গিৰি উল্কা উৰিছে—উৰক—
ভূমিকম্পত ধৰণী ফাটিছে—ফাটক—
আকাশ লক্ষ্মী প্ৰলয় নাচিছে—নাচক
দৈত্য-দানৱ শত্রু নামিছে—নামক—

জীৱন শিপোৱা দেশৰ মাটিত
খোপ নেৰিবি জিয়াৰী পো—
মেৰু পোণাই বুকু ফিন্দাই
জীয়াৰ যুঁজত জয়ী হ'—
দেশৰ মাটিত জীৱন-কেন্দ্ৰ
খোপ এৰিলে নাপাবি ঠাই
আত্মৰক্ষা কৰি জী থাক
জীৱনৰ জয়-নালিতা গাই।

মাটিয়েই দেশ দেশেই আত্ম,
মাটি-দেশ গ'লে আত্ম নাই,—
সেই আত্ম লটি-ঘটি হলে
এৰি গুচি যায় মানৱতাই।

আত্মৰক্ষা ধৰ্ম্ম-যুঁজত
হয় যদি তোৰ জীৱন পাত
সেয়ে সাৰ হ'ই দেশৰ মাটিত
ওপজাব বীৰ অসংখ্যাত—
খোপ নেৰিবি—খোপ দি ৰ'—

চুলিবমানো খোপ নেৰিবি,
কণবমানো ভয় নাথাবি,
    হিমশৃঙ্গৰ শিপাৰ দৰে,
    দিক্‌বলয়ৰ দৃঢ়তাৰে,
নিজৰ দেশত, নিজৰ মাটিত,
নিজৰ ঘৰত, নিজৰ ভেটিত,
    খোপ নেৰিবি—খোপ দি ৰ'—
    জীয়াৰ যুঁজত জয়ী হ'।

# ভাৰতৰ পূৱ-প্ৰান্তৰক্ষী আছোঁ —আমি আছোঁ—

মাটিয়েই দেশ, দেশখনে জাতি,--জাতিয়ে ধৰ্ম্ম-কৰ্ম্ম-মৰ্ম্ম,—
দেশ-সন্তানেই কেৱল মাত্ৰ দেশ-ৰক্ষাৰ অমোঘ-বৰ্ম্ম –
দেশ-মাটি-ভেটি-জাতিৰ প্ৰতি সেই সন্তান অমনা হলে,
চিৰ-জাগ্ৰত, চিৰ-তৎপৰ, চিৰ-সতৰ্ক হ'ই নৰলে,
দেশ-মাটি-জাতি-ধৰ্ম্ম-কৰ্ম্ম-মৰ্ম্ম-বৰ্ম্ম অৰ্থহীন,—
ডাকু-তস্কৰে জপিয়াই পৰি লুটি-পুটি তাক কৰে অধীন,–

আজি বাহিৰ-ভিতৰ দুফালৰ পৰা
দেশ-মাটি-জাতি-ধৰ্ম্ম–কৰ্ম্ম–মৰ্ম্ম-বৰ্ম্ম থেতেলাই
জাতিৰ জীৱন নিৰ্ম্মূল কৰা
শত্ৰুই বিষ-বাণেৰে হানিছে আমাৰ স্থিতিটো ভোহোৰাই,—
বাহিৰৰ চীন নহয় অকল গাত লাগি থকা পাকিস্থানেও
যুটীয়া আক্ৰমণ ঢালি দিছে বুজাবুজিকৈ ছুয়োকো ছুয়ো,—
ষৰযন্ত্ৰী যুটীয়া এই আক্ৰমণৰ অৰ্থটো কি,
এই ক্ষণতো দেশ-সন্তানক ফঁহাই বুজাব লাগে নে কি?
দেশ-বুকুখন বিদাৰি আমাৰ স্থিতিৰ আলুটো উভাৰি খোৱা—
পিতৃ-ভিটাত সঁচ মাৰি থ'ই আমাৰ দেশৰ গৰাকী হোৱা;—
নানা চক্ৰান্ত কুট-কৌশল চৌৱাই আনিছে মৃত্যুবাণ,
দুফালৰ পৰা নিক্ষেপি তাক নাশিব আমাৰ দেশৰ প্ৰাণ,—

বাহিৰ-ভিতৰ যোটাই চলোৱা আক্ৰমণৰ এয়ে কাৰণ,
তাক নুবুজিলে দেশৰ জাতিৰ পৰিণাম মাথো আত্মৰণ;—

দেশ-সন্তানৰ সমুখত আজি পণ মাথো এই একেটাই,—
"এই দুটীয়া আক্ৰমণক জয় কৰি হোৱা মৃত্যুঞ্জয়ী."—
—"জাতীয় গোটৰ বজ্ৰ-থাপেৰে দুয়ো আক্ৰমণ সাঙুৰি ল'ই,
—"পিহি গুৰি কৰি নিজৰ দেশত শান্তিৰে শত্ৰু-মুক্ত হ'ই,
—"বীৰ-মাতৃৰ বীৰ-সন্তান—গাম গীত—আমি আছোঁ।—
—"ভাৰতৰ পূৰপ্ৰান্ত-ৰক্ষী—আছোঁ।—আমি আছোঁ,—
—"আমি মৃত্যুঞ্জয়ী বীৰ সন্তান—আছোঁ।—আমি আছোঁ,—
—"ভাৰতৰ পূৱাচল পৰিশোভি—আছোঁ।—আমি আছোঁ,—
—"মাতৃভূমিত বীৰ দৰ্পেৰে সাজু হ'ই আমি আছোঁ—আমি আছোঁ,—
'ভাৰত-মাতাৰ মুকুটৰ মণি—আছোঁ—আমি আছোঁ— ।

ইং ১৯৬২

---

জনমভূমিত প্ৰকাশ।

# স্বাধীনতা ৰক্ষা কৰি চিৰ অমৰ হোৱা

জীয়াৰ যুঁজত শ্ৰেষ্ঠ পোৱা,
জ্ঞানে-কৰ্ম্মে মহৎ হোৱা,—
—উচ্চাভিলাষ পূৰণতো—
একমাত্ৰ যাই সম্বল স্বাধীনতা ধন,—
সেয়ে আজি ঘোৰ বিপন্ন—
শত্ৰু-হানত হয় উচ্ছন্ন—
তথাপিচোন এই ক্ষণতো
আধাৰ ওপৰ দেশ-সন্তান নিদ্ৰা-নিমগন ?
নহবতো এইদৰে ভাই !
—উঠা তত্‌সাৰ লৈ, গিৰিসাই,—
—মুহূৰ্ত্তও সময় যে নাই—
—যায়, যায়, যায়—দেশ-জাতি যায়—
যাৰ যি আছে অস্ত্ৰ-সমল হাতে হাতে লোৱা—
মাৰবন্ধা শৃঙ্খলাৰে
মৃত্যুত্ৰাসী হুঙ্কাৰেৰে
লাছিতৰ দৰে, শিৱাজীৰ দৰে,
প্ৰতাপৰ দৰে শত্ৰু নাশেৰে,
স্বাধীনতা ৰক্ষা কৰি চিৰ-অমৰ হোৱা।

ইং ১৯৬২

# ৰঙালী-বিহুৰ ডাক

কোন ক'ত আছা বাটত, ঘাটত,
হাট বজাৰত, খেতি-পথাৰত,
ঘৰ-চোতালত, ভাতৰ পাতত,
শেতেলিত শুই যৌন-ৰাগত,
উঠা তুৰন্তে সকলো থেকেছি থ'ই—

আয়ে ডাক দিছে ঘৰ ৰক্ষাৰ—
অলস জড়তা কৰি পৰিহাৰ,
ৰণ-ধক চৰা হ'ই দুৰ্ব্বাৰ
শত্ৰুৰক কৰি দেশ-সীমাপাৰ,
জয়মালা ল'ই আহা নিশ্চিন্ত হ'ই,—

ইং ১৯৬২

---

# স্বাধীনতা-দিৱস পালনৰ দিনা

স্বাধীন হলোঁ কথা ফুটাৰ
ফোটকা ফুটাৰ
শব্দটোতেই নহয় কেৱল স্বাধীনতা পোৱা—
শৰীৰ-মনৰ ভিতৰ-বাহিৰ
ক্লেদ-কলুষৰ
বস্ত্র-মামৰ ধুই পখালি,—তেহে স্বাধীন হোৱা;—
শিকল ছিঙি স্বাধীন হলোঁ,
পদ-ক্ষমতাত বহি ললোঁ,—
ইচ্ছা যি হয় তাকেই কৰিম,
সু-কু-নীতি ভেদ নামানিম,—
দেশ-ঘৰ-মাটি, ভাষা-সংস্কৃতি
যিয়েই নাযাওক ধ্বংস হ'ই--
দুষ্প্রবৃত্তি, খকৰ-তৃপ্তি
পলুৱাই তাকে থাকিম ল'ই;—

এই তো নহয় সৰগ থিয়াই মুক্ত হোৱা
স্বাধীনতা পোৱা,—
এইটো কেৱল নিলাজ নিধক উলঙ্গ হ'ই
নৰক কোচাই লোৱা,-
—পৰাধীনতাৰ শৃঙ্খল ছিঙি
ওলাই আহিলোঁ স্বাধীন কোঁৱৰ,

অন্ধকাৰৰ হিমালয় ভাঙি
চৌদিশে দেশ কৰিম পোহৰ,-
দুস্প্ৰবৃত্তি-ৰত দুৰ্নীতি
ভস্ম কৰিম কৰিলোঁ পণ,
দেশক গঢ়িম সোণৰ নীতিত
বদ্-বিৰুদ্ধে ঘোষিলোঁ ৰণ,—
তাৎপৰ্য্য এয়েহে মোৰ মুক্ত হোৱাৰ,
—স্বাধীনতা পোৱাৰ,
শীৰ্ণ দেশক সবল কৰি গঢ়ি তোলাৰ
অধিকাৰী হোৱাৰ।

ইং ১৯৫১

# স্বাধীনতাৰ মৰ্ম্মগীত ।

স্বাধীনতাৰ অৰ্থ কি ?
নিজেই নিজক শাসন কৰিম
নিজেই নিজক ভাঙিম গঢ়িম
নিজেই নিজক ফুলাই ফলাই
অসীম ধিয়াই আগ বাঢ়িম,—
তাক লভিবৰ সমল কি ?
আত্মচেতন-মৰ্য্যাদা-জ্ঞান,
চিৰ-উদ্যমী কৰ্ম্মাভিযান,—
—নিৰ্ভয় চিত— জয় জয় গাই—
দুৰ্নীতি-দাপ কৰিম ম্লান ।

# মৃত্যুঞ্জয়ী মহাসংগ্ৰামী যজ্ঞ

জ্বলিছে জ্বলিছে বিমান লজ্ঘি
শত্ৰু-বিনাশী মৃত্যুঞ্জয়ী
মহা-সংগ্ৰামী যজ্ঞৰ হুতাশন,—
জনমদাত্ৰী, জীৱনধাত্ৰী, পালনকৰ্ত্ৰী জনমভূমিক
বাহিৰ-ভিতৰ সমানে আগুৰি
পাকিস্থান-চীনে কৰিছে আক্ৰমণ;—
মই দেশ-মাতৃকাৰ সন্তান—
শত্ৰু বিনাশি জনমভূমিক ৰক্ষা কৰাটো
মোৰেই ধৰ্ম্ম, মোৰেই কৰ্ম্ম,—
দায়িত্ব কঠোৰ মোৰেই অনিবাৰ্য্য,—
মোত বাদে কোনো নাই আন;—
যা— ভস্ম হ'ই মোৰ
ভীৰুতা, নীচতা, ক্লীৱত্ব, জড়তা,
পদ-মৰ্য্যাদা-ক্ষমতা-খকত উন্মত্ত হোৱা অন্ধতা,—
দেশদ্ৰোহিতা, ঘৃণ্য দুৰ্ব্বলতা, অলসতা,
এই সংগ্ৰামী যজ্ঞত পৰি আহুতি;—
জ্বলক হৃদয় অন্তৰ ভৰি
শত মাৰ্ত্তণ্ডৰ প্ৰচণ্ড তেজেৰে—
ভিতৰ-বাজৰ দেশ-শত্ৰুক
চূৰ্ণিত কৰি, নিৰ্ম্মূল কৰি
মাতৃভূমিক নিৰাপদ কৰা
বিশ্ব-বৰেণ্য শৌৰ্য্য-বীৰত্ব বিভূতি।

এই যজ্ঞত মোৰ জীৱনাহুতিৰে
শত্ৰুক বিধ্বস্ত কৰা সৰ্ব্বজয়ী দাপেৰে
জনমভূমিক নিৰাপদ কৰা
মোৰ কৰ্ত্তব্য নাসাধিলে—
শত্ৰু-ভয়ত পিছ হুঁহকি থাকিলে,—
জাগতিক মহা-মানৱতাই মোক
দেশদ্ৰোহী কুসন্তান নাৰকীয় কীট বুলি
সৰ্ব্বাঙ্গ আগুৰি মোত
ধাৰাসাৰে ঘৃণা দিব ঢালি;—
মোৰ মহা-মানৱতাবোধ
বিশ্ব-বৰেণ্য কৰাৰ,
জীৱনটো মোৰ বিৰাট কৰাৰ
সকলো সুবিধাৰ পৰা মই বঞ্চিত হ'ম;—
মোৰ সকলো দুৰ্ব্বলতা ধ্বংস কৰি
প্ৰচণ্ড বীৰ্য্যশালী বিপুলতাৰ বাঞ্ছিত সম্বল
মোৰ জীৱনত গোটাই লবলৈকে মই অক্ষম হ'ম,—
বিৰাট মানৱ-মণ্ডপত মই চিৰ লাঞ্ছিত
চিৰ-উৎপীড়িত হ'ই ৰ'ম—

ইং ১৯৬৪

ইং ১৯৬৪ চনৰ 'অসম বাণী'ৰ বঙালী বিহু সংখ্যাত প্ৰকাশ।

# তৰ্পণ ধাৰা

আহ শেৱালী-শুভ্ৰ তৰ্পণ ধাৰা
শোকাৰ্ত্ত হিয়া নিজৰি
সুধা-গৰলৰ দুয়ো মূৰ জুৰি
পৰক নিৰাশা উফৰি ।

ৰাধা-বিৰিঞ্চি-সূৰ্য্য-যতীন-যাদৱ-কেদাৰ-পাৰ্ব্বতী,
সাহিত্য-দৰ্শন-বুৰঞ্জী-কৱিতা-গীত-উদ্যোগ-ৰাজনীতি,
উদি কৰি গ'ল একে সময়তে,
এটা-এটাকৈ এটাৰ পাছতে,—
বিদায়ী দলৰ স্মৃতি-শিখা ল'ই
আমি পৰি ৰলোঁ শোকাভিভূত,—
আত্ম-নিঃসৃত তৰ্পণ ঢালি
হওঁ,—পাৰোঁ যদি বেদনাচ্যুত ।

১২।৮।৬৪

---

৺ৰাধানাথ ফুকন, ৺বিৰিঞ্চি বৰুৱা ৺সূৰ্য্য কুমাৰ ভূঞা, ৺যতীন দুৱৰা, ৺যাদৱ চলিহা, ৺কেদাৰ গোস্বামী, ৺পাৰ্ব্বতী বৰুৱাৰ স্বৰ্গগত আত্মা কেইটিলৈ স্মৃতি তৰ্পণ । 'ৰামধেনু'ত প্ৰকাশ ।

# 'স্বাধীনতা-পালন দিৱস'ত

আত্ম দানেৰে আত্ম লভিম
মহামানৱীয় স্তম্ভ গঢ়িম,
এয়ে আজি সেই পণৰ দিন,—
দুৰ্ব্বলতাক ধ্বংস কৰিম
দেশ-জাতি-মান ৰক্ষা কৰিম
আমি স্বাধীন—আমি স্বাধীন--
আমি এক—আমি এক গোট
চলে কলকলে ঐক্য-সোঁত।

ইং ১৯৬১

"নতুন অসমীয়াত" প্ৰকাশ

# জীৱন কোচোৱা গীত গাওঁ

সকলোতোকৈ জীৱন সত্য
তাক বাদে একো সত্য নাই,
সেই জীৱনৰে সন্ধান দিছে
আমাৰ জাতীয় স্বাধীনতাই।
এই জীৱনৰে জেউতী চৰায়
বিৰাট বিশাল মানৱতাই—
এই অধিকাৰ পূৰ্ণ নহলে,
মানৱতা নাই—মানৱতা নাই—
আত্মৰক্ষা-কৰ্ম্মানলত
অলসতা পুৰি কৰি ছাই,
বিপুল দাপেৰে আগুৱাই আহা
জীৱন কোচোৱা গীত গাই।

ইং ১৯৬১

'অসম বাণী'ত প্ৰকাশ

# দুর্নীতি-লিপ্ত কৰ্ম্মী-নেতাৰ স্বাধীনতা-দিবসৰ গীত

স্বাধীন গণৰাষ্ট্ৰ আজি স্থাপিত হোৱাৰ দিন,
উলঙ্গ হ'ই নৃত্য কৰো তাক্ ধিনা ধিন ধিন,—
তলৰ্ ভৰি ওপৰ কৰি
নিলাজ নিধক ভঙ্গী ধৰি
আনন্দ কিৰিলি মাৰি নাচো ধিন্ তা ধিন্,
আজি গণতন্ত্ৰী স্বাধীনতা স্থাপন কৰাৰ দিন।

আজি গণৰাষ্ট্ৰৰ স্বাধীনতা উপভোগৰ দিন,
দুষ্প্ৰবৃত্তি পুষ্ট কৰাত হলোঁ বাধাহীন,—
তাকেই যদি নকৰিলোঁ
দুৰ্নীতিকে নাচৰিলোঁ
শিকল ছিঙি স্বাধীন হোৱাৰ কিনো থাকিল চিন?
আজি গণতন্ত্ৰী স্বাধীনতা উপভোগৰ দিন।

তৃপ্ত নহওঁ যদি লাজক উদি কৰি দি,
গণতন্ত্ৰী স্বাধীনতাৰ সোৱাদ পালোঁ কি?—
তয়ো স্বাধীন, ময়ো স্বাধীন,
নহওঁ একো নীতিৰ অধীন,
পেট ভৰামেই ক্লেদ তুলি মই ডিঙিল'কে পি,
মিছাতে কাক ভয় কৰিবৰ কাৰণ আছে কি?

চৈধ্য-পুৰুষ গোসাঁমীয়ে চেপি ৰখা থক,--
এই সুবিধা এৰিম কিয়?—যায় যদি দেশ য'ক,—
গণতন্ত্ৰী স্বাধীনতাই
বাধা-নিষেধ দিলে খহাই,
নিজৰে মোৰ নহল যদি,—দেশৰ স্বাৰ্থ কি?
যদি কাৰোবাক ভাগ লাগে মোৰ দলত সোমাহি?
নাচ ধিনা ধিন, নাচ ধিনা ধিন, নাচ ধিনা ধিন ধি।

ইং ১৯৫২

১৯৫২ চনৰ 'গনৰাজ্য দিবস'ৰ দিনা লিখা।

# স্বাধীন গণৰাজ্যত দলীয় মাহাত্ম্য।

কৰিলেই বা কানিৰ বেপাৰ
হলেই বা সি ক্লেদৰ পোক,
তথাপি সি দলৰ এজন
নিলাজ নিধক সাহী লোক,—
হ'ক দুৰ্নীতি ব্যভিচাৰত
বুৰি থকা সি বা তাই,
কানি, কাপোৰ, সূতাৰ চোৰাং-
বেহাত যে তাৰ সমান নাই,—
কিয় খেদিম তাক দলৰ পৰা,
আমাৰ বেপাৰ ভাঙি যায়,
তাৰেই আমাৰ ঠন দেখুৱাই
বৰ্ত্তি আছোঁ খিতাপ খাই,—

জাবৰ-গোবৰ কোচাই যদি
দলটো নলওঁ ঠিক কৰি,
ভুৰা দি দেশৰ বস-জিপ পি
ৰ'ম কেনেকৈ ঠন ধৰি ?
যায় দেশ য'ক—যায় জাতি য'ক,
তাত কি আমাৰ ক্ষতি ?
দল গ'লেহে শঙ্কা আমাৰ
হবল'কে লটি-ঘটি;—
ভাষা-সংস্কৃতি, দেশলৈ প্ৰীতি,
একোৱে নাৰাখে মোক,
দল যদি মোৰ শকত থাকে
জিনিম তিনিও লোক,—
দল গ'ই যদি দেশ জাতি উঠে
শকত-আৱত হ'ই,—
আমিতো নাপাম একণিও ঠাই
থিতাতে মৰিম ৰ'ই,—
সকলোৱে পাব সমানাধিকাৰ
নেতৃত্বত আমাৰ পবিব হেঙাৰ—
কিবা কৰিলেই আন্দোলনেৰে আমাক দমাই থব,
নেতৃত্ব আমাৰ নাই-মুই হ'ই কেৱল জকাটো ৰ'ব,—
দলৰ বলতে বাচি আছোঁ আমি
আন একো গুণ নাই,
দল গ'লে আমাৰ কি হব উপায়
বাচিম কিটো বা খাই ?

ইং ১৯৫১

# ‘জাতীয় মহাসভা’ আৰু সংৰক্ষিণী’-কৰ্ম্মীৰ গীত— ১

আজি দেশ জুৰি হাহাকাৰ—
খাজানা, ধাৰত ডিঙি পোত গ’ল
জ্বলিছে জঠৰ অনাহাৰ।
খেতি-পথাৰৰ, ঘৰ-চোতালৰ
মাটি ভুখৰিক খামুছি ধৰা
জীৱন গলে’ও নেৰিবা খামোছ নহলে যে হবা ছাৰখাৰ ।
ভাই-ভনী সৱে ঘৰে-ঘৰে উঠি
চলোৱা সোণৰ তাতঁশাল
উপছি উঠক তুলনা বিহীন সুখ-সম্পদেৰে দেশৰ পাৰ,—
ঢেঁকীৰ চাউল, পেৰাৰ তেলেৰে
গুচোৱা পেটৰ ক্ষুধা জাল
**গাওঁৰ নিৰীহ খেতিয়ক ভাই নিধকৰা হ’ক সুজি ধাৰ।**

ইং ১৯২৬

---

ইং ১৯২৬ চনত ‘সংৰক্ষিণী-সভাৰ জন্মদিওঁতেই ৰচিত। গোটেই অসমং
‘‘সংৰক্ষিণী আৰু জাতীয় মহাসভাৰ কৰ্ম্মীৰ দ্বাৰা গীত। ১ম বছৰু
‘ডেকা-অসম’ত প্ৰকাশ।

# বৈৰী-বিমৰ্দ্দা বজ্ৰ-গাজোনে গুজৰক

হেৰা বালেবাজী লিখক-লিখিকা
নেতা-নেত্ৰীৰ দল !—
পদ-মৰ্য্যাদা-ক্ষমতা-মান-যশ,
যৌনৰসত নিমগ্ন থকা খক,
এৰি, খন্তেক চাই লোৱাচোন
দেশ কোনফালে গ'ল,—
দুৰ্নীতি-ক্লেদ-কলুষত পৰি
কেনে দুৰ্দ্দশা হ'ল;—

জীৱ মাত্ৰৰে এই খক আছে সঁচা,—
থকাটোও স্বাভাৱিক,—
কিন্তু, দেশক পাছ দি খকত মত্ত হোৱা
আৰু, নিজৰ মঙহ নিজে কাটি-বাছি খোৱা
একে কথা - আৰু জীৱ-নীতি মতে নাৰকীয় পৈশাচিক।
যৌন-প্ৰদেশ খছি-খছি আৰু
ক্লেদনো কিমান তুলিবা,
ধন-পদ-মান-খক-দুৰ্নীতি
আৰু নো কিমান গিলিবা,—
বিস্বাদো লগা নাই নে?
লাজো বাৰু লগা নাই নে?

এবি দিয়া থক—এবি দিয়া থক—
দেশ, জাতি, ঘৰ ক্লেদ-বিমুক্ত হ'ক,—
তোমাৰ গল্প, কৱিতা, উপন্যাসত,
বচন-ভঙ্গী, নৃত্য, অভিনয়ত,
দেশ-ৰক্ষাৰ বৈৰী-বিমৰ্দ্দা বজ্র গাজোনে গুজৰক।

ইং ১৯৬১

'আলোক'ত প্ৰকাশ।

# হায়! হায়! হায়! কি হ'ল—কি হ'ল

হায়! হায়! হায়!—কি হ'ল—কি হ'ল?
চৰিত্ৰচোন তেনেই গ'ল!—
কোনফালেদি? কাৰ যোগেদি?
দুখ-দুৰ্গতি গুচাম বুলি ভেৱা ৰাইজক ভুলাই থ'ই
ফাঁকিৰ জালত ভোট কঢ়িয়াই এম,এল,এ, বা এম,পি, হ'ই
ৰাইজক এৰি দল বান্ধি ভগাই-বটাই কলঠি খোৱাৰ
মন্ত্ৰী-উপমন্ত্ৰী হোৱা থকা-খুন্দাত লাগি যোৱাৰ
তাণ্ডৱতেই নেতাদলৰ জীৱনত যি ফুটা হ'ল,
চৰিত্ৰধন কান্দি-কান্দি সেইফালেদি ওলাই গ'ল,—
হায়! হায়! হায়! কি হ'ল?—কি হ'ল?
চৰিত্ৰ ধন তেনেই গ'ল,—
লগে লগে নিৰ্ভীকতা, সততা, পৌৰুষো গ'ল,
নেতা-নেত্ৰীৰ একে সাঙোৰত জাতিৰ জীৱনো কুশ্ৰী হ'ল।

ইং ১৯৬২

'আলোক'ত প্ৰকাশ।

# আত্মানুতাপ

হায়! হায়! হলোঁ নিৰুপায়,--
বোবা, কণা, কলা, পঙ্গু, জঠৰ,
এলেহুৱা, ধোদ, মূৰ্খ, গাধৰ,
নাইকিয়া হ'ল জীয়াৰ উপায়;—
মোৰ অকৰ্ম্মা, অলস তন্দ্ৰা খেদি,
গ্লানিময় নীচ হীনমন্যতা ছেদি,
নৌ জলোতেই মনোকাশ শোভি মৰ্য্যাদা-জ্ঞান জোন,
তলমলকৈ আত্ম-চেতনা নৌ-ধৰোঁতেই ঠন,--
প্ৰলয়-সৃষ্টি এমুঠিতে ল'ই
কালান্তকৰো কালান্তক হ'ই
বিজুলী এটম্ যুগে আহি মোক
বেঢ়ি ধৰিলেহি,—জাগিল ত্ৰিলোক—
তথাপিতো মই আলাসু ধোদৰ এঙামুৰী ভঙ্গা নাই,—
খন্তেক জাগি তাৰ পাছতেই পৰিছোঁ নিচাল খাই,—
চকুত চলিহা-জালৰ হেঁচাত কৰ্ণামুনা হ'ই গলোঁ,
সৌ সুদূৰৰ কথাকে নকওঁ—থিতাতে নমনা হলোঁ,—
আজি স্বাধীন বিহুৰ হুৰাব মুখত
ব'ই দুৰ্ব্বিহ বেদনা বুকত
তাকেই গুণিছোঁ,—জীম নে মৰিম,
এটাও নহলে কিটো বা কৰিম?
হায়! হায়! হায়! হলোঁ নিৰুপায়—
উৰি গুচি গ'ল জীয়াৰ উপায়।

ইং ১৯৬২

'আলোক'ৰ বিহু সংখ্যাত

# ডেকালৈ বুঢ়াৰ শেষ দান

জীৱনৰ মোৰ আবেলি পৰত
বিদায় লবৰে হল,—
মোৰ বিদায় লবৰে হল—
হে মোৰ আশাৰ অৰুণ-অৰুণি
ডেকা-ডেকেৰীৰ দল!
খুদ-কণ-ৰস আছিল যি ফেৰি
উবুৰাই দিয়া হল,—
হাত, ভৰি, চকু, স্নায়ু, সিৰ, তেজ,
সকলো অৱশ হল,—
চিন্তাৰ সূতী ব'ইছিল যিটো
সিটোও শুকাই গ'ল,
বিদায় পৰৰ বেদনাটো মাথোঁ
হাতৰ মুঠিত ৰ'ল।
জীৱনৰ মোৰ আবেলি পৰত
বিদায় লবৰে হ'ল,
মোৰ বিদায় লবৰে হ'ল।
থৰে থৰে কত কল্পনা আঁকি
ধৰিলোঁ আগত তুলি,—
গিৰি-গহ্বৰ ছানি কত গীত
গালোঁ হিয়া-প্ৰাণ খুলি,—
পাক-ভগনীয়া পমুৱা ধলত—
সকলো পৰিল তল,

কোনেও নিদিলে চকু, কাণ, মন,
নিততে পৰি ৰ'ল ;—
আজি বিদায় পৰত দিবল'কে আৰু
একো নাইকিয়া হ'ল,
মোৰ একো নাইকিয়া হ'ল।
যি আছে কেৱল বেদনা মাথোন—
—কেৱল যাতনা ভৰা,—
তাকে দি ওলালোঁ বিদায় পথত
পাবা যদি কিবা কৰা।

ইং ১৯৫৮

---

'দীপক'ত প্ৰকাশ

# আগতে নিজে নিকা হ'

আনক ধোৱাৰ আগতে ভাই
নিজে নিকা হ'—
নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল'—
আনক কোৱাৰ আগখিনিতে
নিজে স্চা ক'—
নিজ সত্যত নিজৰ ৰূপত
দৃঢ়তাৰে ৰ'—
তেহে হব হোৱা, লোৱা, কোৱা, ৰোৱা ঠিক,—
জীৱন ভৰাই জমা হব ধন-সোণ আত্মিক।

ইং ১৯৪৯

# ৰক্ষা নাই তোৰ ৰক্ষা নাই

নিজৰ দোষতে অন্ধলা হলি
নিজ আকাশত হেৰালি জোন,—
পকৰাই পালে—ভুল পথ ললি—
তই নমৰিনো মৰিব কোন?
ৰক্ষা নাই তোৰ, ৰক্ষা নাই,
নুঠ যদি তই চেতনা ল'ই,—
এই ক্ষণতো মূৰৰ খোলৰ মগজুত তোৰ
জ্ঞান নুফুটিল,
বুকুৰ মাজৰ কলিজা কোহৰ ধমনীত তোৰ
তেজ নুতলিল,—
এতিয়াও তোৰ চিন্তা-বুদ্ধিৰ জড়তা গুচাই
বুজ নজমিল,
অলস দেহৰ পঙ্গু-জঠৰ মাহৰ উটাই
হুঁচ নাচাপিল,—
ঘৰৰ ভেটিত, পথাৰ খেতিত
পেটৰ ভাতত, মুখৰ মাতত,
কি প্ৰলয়ী আক্ৰমণৰ সৰ্ব্বনাশী ধ্বংস নামিল
তথাপি তোৰ পতিত মনত আত্মৰক্ষাৰ তত্ নুতলিল,—
ৰক্ষা নাই তোৰ ৰক্ষা নাই
নুঠ যদি জাগি চেতনা ল'ই।

ইং ১৯৬২

---

'অলোক'ত প্ৰকাশ

# প্ৰাৰ্থনা

হেৰা দয়াময়! মঙ্গলদাতা ভগৱান,
মোৰ জাতিটোক এনে চৰিত্ৰ দিয়া দান—
যাৰ দীপিতিত সয়ল ধৰাৰ
হীৰা-মৰকত মণি-মুকুতাৰ
ক্ষিপ্ত প্ৰলোভনৰ শিখাও হয় ম্লান।
আজি যি নেতাসৱৰ চৰিত্ৰ হীনতাই,
দেশখন জাতিটোক নিৰ্ম্মূলি নিলে খাই,
সেই নাৰকীয় পঁচা চৰিত্ৰ,
নিৰাময় কৰি কৰা পৱিত্ৰ,
মৃত্যু-মুখত পৰা দেশখন জীয়ক জীৱন পাই। ইং ১৯৪৮

---

# হে ভগৱান! হে ভগৱান!

হায়! হায়! হায়! সমাজ খনত
নেতা-নেতিনীৰ খকৰ দাপত
এনেয়েই তো নৈতিক চৰিত্ৰ উৰি গ'ল—
বাঢ়িল দেশত দুৰ্নীতিময় ব্যাভিচাৰৰ মল,—
তাতে আছিল যি এধানি
কল্ ধপকৈ হিহ'নি টানি
শিল্পীনামাৰ উন্মাদনাই তাকো পেলাই তল,
সমাজ বুৰাই বোৱালে উলঙ্গ নিলাজ ধল,—

বাটে—ঘাটে শিল্পী গজিল,
অঙ্গ উদাই "বৈলা চুটিল"
খেঁতি-বাতিত; শ্ৰমৰ শালিত
আৰ্ত্ত-আতুৰ সেৱাৰ থলীত,
কৰ্ম্ম-সাধক, নীতি-সেৱক তেনেই উদি হ'ল,
নৈতিকতাই কান্দি মৰে নাপাই জীয়াৰ থল;—
হে ভগৱান! হে ভগৱান!
নৈতিকতাক দিয়া প্ৰাণ দান,—
শিল্পী-নামাৰ নিধক ঠেওত যৱনিকা টানি,
পৱিত্ৰ হ'ক, সামাজিক দেহ গুচাই ক্লেদৰ গ্লানি।

ইং ১৯৬৩

'আলোক'ত প্ৰকাশ

# অ' মোৰ শক্তি-দল!

দেশ ৰক্ষাৰ অস্ত্ৰ সৱল
একমাত্ৰ আশা সম্বল
অ' মোৰ দেশৰ ডেকা-ডেকেৰীৰ দল!
চৰিত্ৰ ল'—চৰিত্ৰ ল'—
আত্মৰক্ষা দেশৰক্ষাৰ চৰিত্ৰ ল'—চৰিত্ৰ ল'—
সেৱাব্ৰতত মত্ত হোৱা চৰিত্ৰ ল'—চৰিত্ৰ ল'—
দেশ-ঐতিহ্য অলঙ্কৃত
দেশৰ মাটিত ওতপ্ৰোত
দেশ-প্ৰাণতাৰ প্লাৱন স্ফুট

চৰিত্ৰ ল'—চৰিত্ৰ ল'—
তীখাৰ দৰে দো-নপৰা চৰিত্ৰ ল'—চৰিত্ৰ ল'—
জুয়ে নোপোৰা, মৰি নমৰা চৰিত্ৰ ল'—চৰিত্ৰ ল'—
নেতা ৰাইজ দুয়োটাতেই
এই চৰিত্ৰৰ অভাৱতেই
জমিল দেশত মৃত্যুৰ অভিশাপ—
অবিচলিত দৃঢ়তাৰে
দুৰ্নীতিহীন চৰিত্ৰেৰে
নিৰ্ম্মূল কৰ জাতিটোৰ এই পাপ,—
জ্বলক দেশত দৈত্য-বিনাশী দাপ,—
চৰিত্ৰ ল'—চৰিত্ৰ ল'—
নিখুঁত খাটি দেশ-সেৱকৰ চৰিত্ৰ ল'—চৰিত্ৰ ল'—
খক-বিমুক্ত দেশ-সেৱকৰ চৰিত্ৰ ল' চৰিত্ৰ ল'—।

ইং ১৯৬৩

---

'আলোক'ত প্ৰকাশ

# আকাৰ আছে—মানুহ নাই -

মানুহ নাই—মানুহ নাই—
দুই হাত, দুই ভৰি আছে,—
—কৰ্ম্ম-কুশল চলন নাই,—
মানুহ নাই—মানুহ নাই—
দুই কাণ, দুই চকু আছে,
দূৰদৃষ্টি-শ্ৰৱণ নাই,—
মানুহ নাই,—মানুহ নাই,—

মূৰ আছে, মগজু নাই,
মগজু আছে, বুদ্ধি নাই,–
বুদ্ধি আছে কিটিপ নাই,
কিটিপ আছে কলা নাই,—
তত্ আছে বোধ নাই,
কলিজা আছে, সাহ নাই,—
তেজ আছে, তাপ নাই,
মন আছে, ধ্যান নাই,—
ভাৱ আছে, দৃঢ়তা নাই,
জীৱন আছে, জেউতি নাই,—
প্ৰেম আছে, বিবেক নাই,
স্থিতি আছে, গতি নাই,—
জিভা আছে, সুৰুচি নাই,
ছাল আছে, সুস্পৰ্শ নাই,—
আকাঙ্ক্ষা আছে, উদ্যোগ নাই,
ধূৰ্ত্তালী আছে, সততা নাই,—
বুকু আছে, হৃদয় নাই,
হৃদয় আছে, মহত্ব নাই,–
মিথ্যাচাৰ আছে, সত্যাচাৰ নাই,
ধাৰণা আছে, বিশ্বাস নাই,—
মৰথক আছে, ত্যাগ নাই,
দুৰ্নীতি আছে, সুনীতি নাই,—
আকাৰৰূপী মানুহ আছে,
আত্মাৰূপী আলোক নাই,--
এই তো নহয় আত্মাবাদী নব-জীৱনৰ আচল ৰূপ
কলুষ এৰি জীৱন-ধামত জ্বলোৱা নিকাৰ আলোক ধুপ। ইং ১৯৫৪

দেশৰ তলে-ওপৰে শিপাই পৰা দুৰ্নীতিত বেদনাক্লীষ্ট মনেৰে লিখা।

## ৰঙালি বিহুৰ ডাক

# বিহুৱাকায়ে যিটো লাগে তাকে দিব—লোৱা—

( ১ )

বিহুৱাকাই আহিছে—
প্ৰতি বছৰৰ ফুলা-মলা ঢ'উবোৰ পাৰ হ'ই
উঠা-নমাৰ ৰঙিয়াল চেকাবোৰ গাত-পিন্ধি
বছৰে পতি আহে বিহুৱাকাই,—এইবাৰো আহিছে।
কিন্তু, এইবাৰ, এই বছৰত আহিছে সি
ৰূপ সলাই নতুন হ'ই।—
গুচি যোৱা বছৰবোৰত আহিছিল বিহুৱাকাই
ঢোল-পেপাৰ কোবত, শিঙাৰ ফুকত,
যৌন-মদিৰ-মত্ত ধুমুহাৰ ৰঙা ফেন তুলি,—
ডেকা-গাভৰুক ককাল ভাঙি নচুৱাই,
ৰাজহাড় কাহিল কৰি,
নাকে-মুখে অৱসাদৰ অলস-জোল সোৱাই,
দেশৰ প্ৰতি, জাতিৰ প্ৰতি, নিজৰ প্ৰতি
আত্মচেতনা, কৰ্ত্তব্যবোধ, কৰ্ম্মোদ্যম ৰহিত কৰি,
নিতত, নিশংকতীয়া খেলিমেলি খোজেৰে
পুনৰ সেই ভঙা-ফুটাতেই ঠেকেছা খুৱাই,
সৰ্ব্বাঙ্গ জুৰি তেজে-মঙহে, অস্থি-মজ্জাই,
দুৰ্ব্বাৰ অলসতাৰ
আপচু আৱেশ সানি দি গুচি যাবলৈকে;—

কিন্তু আজি, চাৰিওকালে বেঢ়ি ধৰা
স্পুট্‌নিক-চীন-পাকিস্থান-এটমব'ম,
দুর্নীতি, অবিচাৰ, অৰাজকতা, মঙ্গোলীয়-আৰ্য্য আদি
বিৰাট বিৰাট সমস্যা-দৈত্যৰ সমাৱেশৰ লগতে
নিজ চোতালৰ নগা-খাছীয়া-গাৰো-মিজো,
বঙ্গালী-বিহাৰী-পাঞ্জাবী-মাদ্ৰাজী আদি
অনুসঙ্গী সমূহৰ উদ্ভেদ উঠি অহা যুগত,
বিহুকায়ে তাৰ আওপুৰণি পেপা-ঢোল এৰি আহিছে,---
লগত কপৌ পিন্ধাই ৰঙিলীকো ল'ই অহা নাই;—
আজি বিহুৱাকায়ে ল'ই আহিছে তাৰ এখন হাতত,
লাহ-বিলাহী ফটিকাৰে
কৰ্ম্মোলাস হৰা, কৰ্ত্তব্যচ্যুত কৰা
চিত্ত-বিত্ত-আত্মনাশী অভিশাপৰ উল্কা,—
আৰু আনখন হাতত আনিছে
কৰ্ম্মোদ্যমী, আলস্যহাৰী মহা জীৱনৰ
মহাশীৰ্ব্বাদৰ নিৰ্ম্মালি,—
এটাত মহামৰণ, আনটোত মহা-জীৱন;—
স্থিৰ কৰা—আজি তোমাৰ বিহু-নাচোনত
যৌন-ক্লেদী অৱসাদকে নমাবা, নে কৰ্ম্মোল্লাসী জীৱনকে ফুলাবা ?
কোনটো তোমাক লাগে ?—মৰণাভিশাপ, নে জীৱনাশীৰ্ব্বাদ ?
বিহুৱাকাইৰ ওচৰত প্ৰাণ পাতি মাধি লোৱা;—
যিটো লাগে, তাকে আজি তোমাক দিব বিহুৱাকায়ে,—
তেওঁ সেই কুৰি বছৰৰ আগতে গোৱা

চিৰ নতুন ধৰ্ম্ম-ডাকটো গাবই লাগিছে—
প্ৰাণ পাতি শুনা :—

"ডেকা অসম! তোমাৰ ডেকা-শক্তি সাৰ্থক কৰাৰ এই সোনালী সুযোগ তুমি নেহেৰুৱাবা। মিছা তৰ্কৰ ঢ'উ তুলি, ৰাজহুৱা সভাৰ কথাবাজীত বাতৰি কাকতৰ আখৰ কেইটাত আত্ম-সন্তুষ্টি ল'ই ভাহি ফুৰিবলৈকে তোমাৰ আজি আজৰি নাই। পুৰণিক মন্থন কৰি পৃথিৱীত নতুন ৰূপত প্ৰফুল্লিত লৰন্ন তুলিবলৈকে মহা-বিপ্লৱৰ প্ৰচণ্ড ধুমুহা বিজুলী গতিৰে তোমাৰ ঘৰ-চোতাল আচ্ছন্ন কৰি ব্যাপ্ত হ'ল। তুমি এই ভয়াবহ আঘাতৰ পৰা কঠোৰ শৃঙ্খলতা আৰু অটল নিৰ্ভীক দৃঢ়তাৰে বুকু ফুলাই থিয় দি বিপুল কৰ্ম্মোদ্যমেৰে ধ্বংসৰ পৰিৱৰ্ত্তে আত্মৰক্ষাৰ আশীৰ্ব্বাদ লাভ কৰা। নহলে, এই ধুমুহাত তুমি ভাগি-ছিগি ধূলি হ'ই কৰবাত গ'ই চিটিকি পৰি নিৰুদ্দিষ্ট হবা। ক'ত্তো ডেকা-অসমৰ চিন-চাবো নাথাকিব।' —১৯৪২

ইং ১৯৬০

---

"নতুন অসমীয়াত" প্ৰকাশ

# অ' বিহুকাই তাৰে কথা ক'
## ( ২ )

অ' বিহুকাই !—অ' বিহুকাই !—
পোন্ধ-সোলোকা কঁকাল-গাঠিত
ন-গামোচা মেৰাই মেৰাই,
মূৰ জোকাৰি বাবৰি উৰাই,—
ঢোল-পেপা ল'—ঢোল-পেপা ল'—

ঠেৰে ঠেৰে বিহু বজাই
নিজক নিজে খোৰা জাতিত—
নিলাজ হাঁহি টিঘিলঘিলাই
বাটে-ঘাটে খলক লগাই,
ইমান আছে ক'ত বিহুকাই ! ইমান আছে ক'ত ?
তাৰে কথা ক' বিহুকাই ! তাৰে কথা ক'।

তিলতিলকৈ মৰি গ'ইও
মাটি-ভেটি উছন হ'ইও
তত্ নচপা এলেহুৱা ইমান আছে ক'ত ?
নিজক নিজে খোৰা শাসন-বিধান চলে য'ত—
তাৰে কথা ক' বিহুকাই ! তাৰে কথা ক'—
ঢোলত কোবাই, পেপাত ফুকাই, তাৰে কথা ক'—

গালে-মুখে চৰ-ভুকু খাই,
খন্তেক চেং-চেঙনি পাই,—
ধান-খেৰ-জুই যেন ভমকি থিতাতে নুমাই
পুনু হ'ই যায় বৰফ-চেঁচা আৰু সাৰসুৰ নাই,—

ঢোলত কোবাই, পেপাত ফুকাই
তাৰে কথা ক' বিহুকাই, তাৰে কথা ক'—
আন নালাগে একো কব, তাৰে কথা ক—

ইং ১৯৬১

---

'নতুন অসমীয়া'ত প্ৰকাশ

# ৰঙালিক মাত জীৱন-ৰঙেৰে

## ( ৩ )

ৰঙালি আহিছে ৰাঙলী কুঁহিত
জিলমিল তুলি
সুষমা উতলা ৰঙিলী হ'ই—
গালে মুখে তাৰ ৰামধেনু বোল
উঠে ফুলি ছুলি
মিচিকি' হাঁহিৰ বিজুলী ব'ই;—
কিন্তু ৰঙালিক আদৰিবি তই
হিয়া উবুৰাই
বুকু-ধুনা ৰং কিহেদি ?
যিখিনি আছিল সিও উৰি গ'ল
তোক লঠিয়াই
স্বৰূপ হেৰোৱা ফাঁকেদি;—
জীৱন উদাই হেৰুৱালি তোৰ
ৰঙিলী আদৰা
লাৱনী-ৰম্য ৰংখিনি—

ৰাংঢালী ৰঙিলীয়ে আজি তোক
দিব কিয় ধৰা
ৰঙাব বহাগী গালখনি ?
আত্ম-চেতনা মৰ্য্যাদা জ্ঞান
বিশ্বাস-শ্ৰদ্ধা-নিষ্ঠা
এয়ে জীৱনৰ ৰং তোৰ
তাকেই তিয়াগি সানি ললি তাত
কলুষ ক্লেদৰ তৃষ্ণা
আত্ম-হেৰুৱা গ্লানিবোৰ,—
যিখন পাটিত ৰঙিলীক মাতি
শুৱাই খেলিবি
ৰাঙলী চুমাৰে ৰাঙলী খেল,
তাকো দেখো টানি-ধুহি লৈ গ'ল
কিহত পাতিবি
ৰঙিলীৰ সতে চুমাৰ মেল ?
ৰাঙলি ৰঙিলী ৰঙালিক যদি
পাব খোজ তই
মিঠা ৰাংঢালী ৰূপেৰে—
উৰি যোৱা তোৰ জীৱনৰ ৰং
পুনু টানি লই
ৰঙাহি জীৱন-ৰঙেৰে।

ইং ১৯৬২

'নতুন অসমীয়াত প্ৰকাশ'

# বৈৰী-বিমৰ্দ্দা নাচোন নাচ
( ৪ )

বাজ—বাজ—বাজ—
বিমান বিদাৰি বঙালি বিহুৰ
ঢোল-পেপা-শিঙা ৰণ দুন্দুভী বাজ—
সাজ—সাজ—সাজ—
দেশ-ৰক্ষাৰ ডাক উতলিছে
বিজুলী-শাণিত সমৰ-সাজেৰে সাজ—
নাচ—নাচ—নাচ—
ৰণ-তাণ্ডৱী নাচ-ভঙ্গীত
কালান্তকৰ জ্বলক বিজয়ী জুই,—
বাহিৰ—ভিতৰ
দেশ-শত্ৰুতা পুৰি ছাই হ'ই
চিৰকালল'কে সঁচ হ'ক নাই—নুই,—
বিহুৰ তলীৰ
কঁকাল ভাঙি, স্তন হলুৱাই
বীৰ্য্য খহাই অলস কৰা নাচ এৰি
সমৰ তলীৰ
বৈৰী-বিনাশী কৰ্ম্ম-তেজাল নাচোন ধৰি
বীৰ দৰ্পেৰে নিৰ্ম্মূল কৰ দেশ অৰি।

ইং ১৯৬৩

# আহা মোৰ বুকুলৈ
( ৫ )

আজি সুনীল-সেউজ এটা হ'ই যোৱা
নতুন যুগৰ ৰঙালি বিহুৰ নতুন সুৰ—
নীচ স্বাৰ্থ পৰি উদি হোৱা
জাতীয় জীৱন ঐক্য তানেৰে কৰাহি পূৰ,—

আহা পঞ্জাৱী, আহা মাদ্ৰাজী, বিহাৰী, উৰিয়া, বঙ্গালী
আহা গুজৰাটী, সিন্ধি, মাৰাঠী, ৰাজস্থানী, ভোট, নেপালী,
ভাৰত মাতাৰ চেনেহী দুহিতা পূৱ-প্ৰান্তৰ অসমী আই
দিছে সকলোকে উদাৰ কোলাত সুখ-শান্তিৰে থাকিব ঠাই

দেশক, জাতিক দুৰ্ব্বল কৰা
মিছা "য়ানা" অভিমানবোৰ এৰা—
ঐক্যাকাঙ্ক্ষা বুকুত জ্বলাই অসমী আইক সাৰটি ধৰা,
খিলঞ্জীয়াৰ স'তে এটা হ'ই জাতীয় একতা সুষমা গঢ়া
ইং ১৯৫৯

# অলসতাৰ অপবাদবোৰ ধুই-পখালি কৰ্ম্ম-মত্ত হোৱা

( ৫ )

বঙালি বিহুৰ উখল-মাখল
নহয় অকল
ৰং-ধেমালিত বুৰ যোৱা
বিগত দিনৰ দুৰ্ব্বলতাৰ
অপবাদবোৰ
ধুই-পখালি নিকা হোৱা;—
নৃত্য-গীতত মত্ত থাকি
কৰ্ম্ম-চিন্তা দূৰত ৰাখি
দেশ কিদৰে ৰাখিবা ?
পাতল আমোদ বিলাসিতাত
মগ্ন থাকি বিতত হলে
সমূলি দেখোন মৰিবা !

ইং ১৯৬২

---

পুব-গুৱাহাটী বঙালি বিহু উৎসৱত গোৱা ।

# মই জীৱননীতিক-মানৱনীতিক

বহুতেই কয়,—
মই হেনো এটা
"মস্ত ধুমা" ৰাজনীতিক,—
কাব্য-কলা-সাহিত্যতকৈ
মোৰ হেনো ৰাপ
ৰাজনীতিতে অত্যধিক,—
কিন্তু, মইতো নহওঁ এতিলমানো ৰাজনীতিক,—
মই জীৱননীতিক, মানৱনীতিক,
অসীম অপাৰ মহামানৱীয়
জীৱন-সেৱাই মোৰ প্ৰতীক,—

ৰাজনীতিকৰ ধূৰ্ত্ত-বাজীত—
ক্লেদ উথলে অপৰিসীম
শ্বাস ৰুদ্ধ হ'ই মৰে তাত
জন-গণ প্ৰাণ দৰিদ্ৰ-দীন,—
সেৱাৰ বজ্ৰ-বাৰ্ইণিৰে মই
কৰোঁ সেই ক্লেদ অপসাৰিত
হ'ক বুলি শুধ সুস্থ নীতিৰে
সামাজিক দেহ পৰিপ্লাৱিত;—
মই তো নহওঁ ৰাজনীতিক,—
অসীম অপাৰ মানৱীয়তাৰ
সেৱাব্ৰতেই মোৰ প্ৰতীক:—

সম্ভোগ-সুখ ক্লেদ-ভোগতেই
ৰাজনীতিকৰ সুখ,—
সি যে ক্লেদভোগী
সেই সকলৰ ক্লেদ-ৰুচিতেই
প্ৰাণঘাতী মোৰ দুখ,—
মই যে সেৱাযোগী।

ৰাজনীতিকে বাস্তৱতাৰ মেও-খুজীয়া খাল-পানী
খদলি ক্লেদ তুলি থাকে তাতেই জীয়াৰ সাৰ মানি,—
ক্লেদ-আৱষ্ট দৃষ্টিত তাৰ
মহা-মানৱীয় বিপুলতাৰ
মোহন শিখাৰ আলোক নাই,

মই আঁতৰাই সেই ক্লেদান্ধতা
পথ-হেৰুৱা বিপন্নতা,—
মুক্ত আলোক দিওঁ দেখাই;—
মই তো নহওঁ ৰাজনীতিক,
মই জীৱননীতিক মানৱনীতিক,
অসীম অপাৰ মহা-মানৱীয়
জীৱন-সেৱাই মোৰ প্ৰতীক।

ইং ১৯৬৩

# শুদ্ধি-পত্ৰ

| পৃষ্ঠা | | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|---|
| ৩ | কামেই জীৱন | ১৬ | ধৰাত আকুল প্ৰাণ | ধৰাত আমাৰ আকুল প্ৰাণ |
| ৮ | কৰ্ম্ম-গীতিকা | ১২ | ব্যাভিচাৰ | ব্যভিচাৰৰ |
| ৯ | কৰ্ম্ম-গীতিকা | ১৮ | সুদুৰ | সুদূৰ |
| ১৬ | মানুহ হ' মানুহ হ' | ৮ | ৰলি নেজপাৰি | ৰবি নেজপাৰি |
| ১৮ | আশাধাৰা বুঢ়া কৰিব | ১৪ | ছাল-হাৰ-তেজ | ছাল-হাড়-তেজ |
| | ,, | ১৮ | হৃদয়-চেদা | হৃদয়-ছেদা |
| ২০ | খক-দৈত্যৰ | ১ | চিৰফুটমাধুৰ্যতাৰে | চিৰফুটফুট মাধুৰ্য্যৰে |
| ২১ | ,, | ১ | যিকণ আছে | যিকণ আছে |
| ২১ | ,, | ৪ | প্ৰাণ প্ৰাচুৰ্য্য পৰিপুষ্টি | প্ৰাণ-প্ৰাচুৰ্য্য পৰিপুষ্টি |
| ২১ | , | ১৩ | নিৰ্হিং-সতা | নিৰ্হিংসতা |
| ২২ | খকক এৰি ভোকত ধৰ | ২ | কৰে | কৰ |
| ২২ | ,, | ১০ | পুষ্ট | পুষ্ট |
| ৪১ | ভাৰতৰ পুৰপ্ৰান্ত ৰক্ষী | ২ | আমোঘ | অমোঘ |
| ৪১ | ,, | ১৭ | চোৰাই আনিছে | চৌৰাই আনিছে |
| ৪৭ | স্বাধীনতাৰ মৰ্ম্মগীত | | তলত চনটো ১৯৬২ নতুন অসমীয়াত প্ৰকাশ। | |

# সমাপ্ত

*Digitized by:*

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com